চান্দমামা

নভেমবাৰ ১৯৮৬

চাৰ্ফ কিনাটো আৰু বেছি বুদ্ধিমানৰ কাম!
"বিশ্বাস কৰক, সঁচাকৈ চাৰ্ফ কিনাৰ দৰে বুদ্ধিমানৰ কাম আন একো নাই। ইয়াৰ পাৱাৰ পেকড ফৰ্মুলেশ্যনে আপোনাৰ ধনৰ উচিৎ মূল্য দিয়ে।"
উচিৎ মূল্য দিয়ে? অথচ যাইকৈ চাৰ্ফৰ দামেইতো ভালেখিনি বেছি?
"বোলো ডাঙৰীয়া, আপুনি দেখা নাইনে ইয়াৰ পৰা আপুনি কিমান বেছি লাভবান হব পাৰে? একমাত্ৰ চাৰ্ফে সবাতোকৈ বগাকৈ ধোৱে আৰু কাপোৰ ৰঙেও নিৰাপদে। আৰু সেয়ে কাপোৰ দেখাত সদায় নতুন যেন লাগে। তাৰ ফলত আপোনাৰ বাহিও হয় ভালেখিনি আৰু ধনৰ উচিৎ মূল্য দিয়ে বুলি কওঁতে মই ইয়াৰ কথাকে বুজাইছো।"
মানি ললো ললিতা আইদেউ, কিন্তু সেয়াই জানো যথেষ্ট?
"আৰু আছে! প্ৰতি ১/২ কিলো চাৰ্ফ পাউডাৰ অন্যান্য সাধাৰণ পাউডাৰৰ ১ কিলোৰ সমান। তাৰ অৰ্থ, অন্যান্য সাধাৰণ ১ কিলো পাউডাৰে যিমানখিনি কাপোৰ ধুব, ইয়াৰ আধা কিলোৱেই সেইখিনি ধুব পাৰি। গতিকে চাৰ্ফৰ পৰা কিমান যে বেছি লাভ, সেয়াতো আপুনি দেখিলেই।"
১ কিলো সাধাৰণ পাউডাৰ
১/২ কিলো চাৰ্ফ.
ইয়াৰ মানে হ'ল চাৰ্ফ'এ নিজস্ব উপায়ে আপোনাৰ ধন উঠাই দিয়ে...
"...আৰু আপুনি লভিবান হয় নানান ফালৰ পৰা। এবিধ সাধাৰণ পাউডাৰ কিনা আৰু এবিধ উচ্চ গুণৰ পাউডাৰ কিনাৰ মাজত পাৰ্থক্য বহুত। সেয়েতো মই কওঁ, চাৰ্ফ কিনাটো সদায়েই বুদ্ধিমানৰ কাম।"
POWER PACKED
Surf

A BRIGHT NEW TRADITION IS BUILT by THE READERS OF

THE HERITAGE

FEATURES AND FICTION FOR TODAY AND TOMORROW

The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE.

* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and *"Fables and Fantasies for Adults"*.
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, novels and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.
* THE HERITAGE takes you to a tour of the *Little-Known India*.

চান্দমামা

ছেপ্‌টেম্‌বাৰ ১৯৮৬

এই সংখ্যাত আছে

কল্যাণ	:	১০
যোগ্যভোগ্য	:	১১
বিচাৰক হ'ল বন্ধুৱা	:	১৫
জ্বালা দ্বীপ	:	১৯
অমৃতা	:	২৭
তীৰ্থৰ অৰ্থ	:	৩৩
আমাৰ দ'ল-দেৱালয়	:	৩৫
কবিতা	:	৩৯
উত্তৰাকাণ্ড ৰামায়ণ	:	৪৩
ধৰ্ম	:	৫২
ভাগ্য-দুৰ্ভাগ্য	:	৫৬
ঠাৰিয়ে ধৰিলে চুৰি	:	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ সম্বাদ-বি-সম্বাদ, ভাগ্যলিপি, আমাৰ পশু-পক্ষী ইত্যাদি।

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৰা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

এইবাৰ 'জ্বালাদ্বীপ'ৰ ৰহস্য ঘনীভূত হ'ল। জ্বলাদ্বীপৰ এজন অধিবাসী ধৰা পৰিল আৰু তাৰপৰা কিছুমান নজনা কথাৰ সম্বেদ পোৱা গ'ল। চান্দমামাৰ 'সম্বাদ-বি-সম্বাদ'ত এইবাৰ যি সম্বাদ ওলাইছে তাৰ মাজত প্ৰথমটো বিসম্বাদৰ অৰ্থাৎ চিন্তাযোগ্য। দ্বিতীয়টো যদিও মিছামাছৰ, তথাপি মিছা নহয়। ওঠৰ নম্বৰ পৃষ্ঠাত আছে জ্যোতিষীৰ কথা। আমাৰ সকলোটিৰ বাবেই অতি শিক্ষণীয়। এই সংখ্যাৰ অন্যান্য গল্প-কাহিনীও নতুন নতুন আকৰ্ষণেৰে ভৰপূৰ। আৰু প্ৰতিটি পাত জ্ঞানৰ বোজাৰে গধুৰ নহয়—মধুৰ মধুৰ।

অমৰ-বাণী

অমৰণান্তাঃ প্ৰণয়াঃ কোপস্তৎ ক্ষণভঙ্গুৰাঃ।

পৰিত্যাগশ্চ নিস্‌সঙ্গা ভৱন্তি হি মহাত্মনাম্‌॥

[ডাঙৰসকলৰ মৰম-চেনেহ জীৱনৰ অন্ততো থাকে ; কিন্তু ক্ৰোধ মুহূৰ্ততে মাৰ যায়। এই জগতৰ প্ৰকৃত মহাত্মাসকলে প্ৰতিফলৰ আশা নকৰাকৈয়েই যথা সৰ্বস্ব ত্যাগ কৰে।]

বছৰঃ ১১ নভেম্বাৰ ১৯৮৬ সংখ্যাঃ ৮

খনে ঃ ২'৫০ টকা ঃ বছৰেকীয়া বৰঙণি ঃ ৩০'০০ টকা



You're the school's Junior Champ and that calls for a treat!

A Fruitbits treat! In tangy Orange & Lemon flavours. It's the nicest way to share your happiness with friends.

Friends get friendlier with Fruitbits.

Marketed by: The National Products, Bangalore. NP

Dattaram/NP/4-86

ছেগ



ষ্টকহ'ম থিয়াটাৰত সুইডেনৰ সৰ্বোচ্চ ক্ষমতাসম্পন্ন নিৰাপত্তা বিভাগৰ কয়দীহঁতে প্ৰযোজনা কৰা ছেমুৱেল বেকেটৰ 'ওৱেটিং ফৰ গোডো' নাটকৰ দৰ্শকসকল হতাশ হৈ উভতি যাবলগীয়া হ'ল। কিয়নো, যি কয়দীহঁতে অভিনয় কৰি আছিল, সিহঁতৰ পাঁচজনৰ মাজত চাৰিজনেই ছেগ বুজি থিয়াটাৰ হলৰ খিৰিকীয়েদি পলাই পত্ৰং দিলে!

মিছা নহয়—মিছামাছ

টেক্সাছৰ অন্তৰ্গত মেছাকুইটৰ এখন ৰেস্তৰাঁৰ খাদ্য তালিকাত এদিন ডিনাৰত ১০ কেজি ওজনৰ এটা বিৰাট মিছামাছ পৰিবেশন কৰা হ'ব বুলি প্ৰচাৰ কৰা হ'ল। লগে লগে কমেও ১০০ জন বিক্ষুব্ধ মানুহে ফ'নেৰে তীব্ৰ প্ৰতিবাদ জনালে। তেওঁলোকৰ বক্তব্য হ'ল যে—কোনান নামৰ এই বিৰাট মিছামাছটো ১৫০ বছৰ ধৰি জালোৱাহঁতৰ জালত ধৰা নপৰাকৈ আছে। এই বিৰাট মিছামাছটো টেক্সাছতকৈয়ো পুৰণি; কিয়নো টেক্সাছৰ বয়স মুঠেই ১৫০ বছৰ। প্ৰতিবাদৰ ফলত কোনানক মুক্তি দিয়া হ'ল।



কুম্ভীৰৰ পৰাজয়

গোম্বিয়া আলী নামৰ এটি ল'ৰাই টেংগাইনিকা হ্ৰদৰ তীৰত গৰু চৰাই থাকোঁতে হ্ৰদৰ পানীৰপৰা উঠি আহি কুম্ভীৰ এটাই লৰাটোৰ সোঁ ভৰিখনত কামুৰি ধৰি হ্ৰদলৈ লৈ যাবলৈ টনা-আঁজোৰা কৰি থাকোঁতে ল'ৰাটোৰ পাঁচজন বন্ধুৱে লৰৰি আহি কুম্ভীৰটোৰ মুখৰপৰা গোম্বিয়াক মুক্ত কৰিলে। কুম্ভীৰটো হাৰিল।

কল্যাণ

সুপ্ৰাচীনকালত কেইগৰাকীমান ঋষিয়ে যজ্ঞানুষ্ঠান কৰি স্বৰ্গলৈ যোৱাৰ যোগ্যতা লাভ কৰিছিল। কিন্তু কেনেকৈ কোন বাটেৰে যে স্বৰ্গলৈ যাব লাগিব—তেওঁলোকে নাজানিছিল। এই ঋষিসকলৰ মাজত কল্যাণ নামৰ ঋষিগৰাকী আছিল জ্ঞানে-গুণে সৰ্বশ্ৰেষ্ঠ। আন ঋষিসকলে কল্যাণ ঋষিক ক'লে, "আমাৰ স্বৰ্গলৈ যোৱাৰ বাট তুমিয়েই বিচাৰি উলিয়াবা, এয়ে আমাৰ সম্মিলিত অনুৰোধ।"

এওঁলোকৰ অনুৰোধ মতে স্বৰ্গলৈ যোৱাৰ বাট বিচাৰি কল্যাণ ঋষি ওলাল। বহুদূৰলৈকে যোৱাৰ অন্তত এক অৰণ্যত উৰ্ণয় নামৰ গন্ধৰ্ব এজনৰ সৈতে তেওঁৰ দেখাদেখি হ'ল। কল্যাণে নিজৰ সমস্যাৰ কথা গন্ধৰ্বক ক'লে। গন্ধৰ্বই কল্যাণঋষিক এফাকি মন্ত্ৰ শিকাই দিলে। এই মন্ত্ৰ ফাকি আওৰালেই স্বৰ্গলৈ যোৱাৰ দুৱাৰ তেওঁলোকৰ আগত মুক্ত হৈ পৰিব।

আশ্ৰমলৈ উভতি গৈ কল্যাণ ঋষিয়ে অন্য ঋষিসকলকো এই মন্ত্ৰফাকি শিকাই দিলে। এই মন্ত্ৰফাকি কল্যাণক কোনে শিকালে বুলি সোধাত কল্যাণ মনে মনে থাকিল। তেতিয়া ঋষিসকলৰ ধাৰণা হ'ল যে তপস্যাৰ বলেৰে এই মন্ত্ৰফাকি কল্যাণে নিজেই আয়ত্ত কৰিলে।

কল্যাণৰ নিৰ্দেশিত বাটেৰে ঋষিসকলে স্বৰ্গৰ দুৱাৰমুখ পালেগৈ। একে একে প্ৰতিগৰাকী ঋষিয়েই সেই দুৱাৰেদি স্বৰ্গলৈ গ'ল, কিন্তু কল্যাণঋষি সোমাবলৈ ধৰোঁতেই স্বৰ্গৰ দুৱাৰ বন্ধ হৈ গ'ল।

যিজন গন্ধৰ্বই এই মন্ত্ৰফাকি শিকাই কল্যাণৰ উপকাৰ কৰিছিল, সেইজন গন্ধৰ্বৰ প্ৰতি অকৃতজ্ঞ হোৱাত কল্যাণঋষিয়ে স্বৰ্গলৈ যোৱাৰ যোগ্যতা হেৰুৱাইছিল।



যোগ্যভোগ্য

ভদ্ৰাৱতী দেশৰ ৰজা আছিল বিক্ৰমবৰ্মা। বিক্ৰমবৰ্মাদেৱৰ দুই পুত্ৰ— ইজনৰ নাম বিজয়, আনজনৰ নাম সুজয়।

বিজয়-সুজয় ডাঙৰ-দীঘল হোৱাৰ পাছত ৰজা বিক্ৰমবৰ্মাই এদিন ভাবিলে ঃ ইহঁত দুজনৰ মাজত কোন ৰজা হোৱাৰ যোগ্য, পৰীক্ষা ল'ব লাগিব।

বিজয় প্ৰকৃততেই বুদ্ধিমান আছিল। বিজয়ে প্ৰায় সকলো শাস্ত্ৰ অধ্যয়ন কৰিছিল। যুদ্ধবিদ্যাতো বিজয় পাৰদৰ্শী। কঁড়িউৰাৰপৰা তৰৱাৰি চলোৱালৈকে নানান ধৰণৰ অস্ত্ৰ-চালনাত বিজয় সুদক্ষ। বিজয় অতি নম্ৰ আৰু ভদ্ৰ। কোনো অৱস্থাতে সি দমি নাযায়। তাৰ বিৰুদ্ধবাদীকো সি ধৈৰ্য্যৰে নিজৰ মতাৱলম্বী কৰিবলৈ চেষ্টা কৰিছিল।

আনহাতে, সুজয় আছিল বিজয়ৰ একেবাৰে বিপৰীত। দেখাত তাক বেছ বুদ্ধিমান যেন লাগিছিল; কিন্তু কিবা ধৰণৰ বিপদ-বিঘিনিৰ আভাস পালেও সি দমি গৈছিল। আৰু সি আছিল অভং বতৰা বিধৰ। তাৰ মতত 'হয়' দিলে ভাল, নিদিলেই কাল; তাৰ মতত হয় নিদিয়াজনৰ লগত তাৰ মাত-বোল বন্ধ।

ৰজা বিক্ৰমবৰ্মাই সুজয়-বিজয়ৰ এইবোৰ কথা-কাণ্ড, পৰস্পৰ-বিৰোধী মনোভাৱ আদিলৈ লক্ষ্য নকৰাকৈ নাছিল। সিহঁত দুয়োৰো বয়স যেতিয়া বিছ বছৰ হ'ল, ৰজাই সিহঁতক দেশ-ভ্ৰমণলৈ পঠালে। দেশখনৰ ইমূৰৰপৰা সিমূৰলৈ যাব, চাই-মেলি আহিব ; কিন্তু লগত আন কাকোলৈ যাব নোৱাৰিব। আৰু কোনো যান-

পুলক পাটোৱাৰী

বাহনো ল'ব নোৱাৰিব ; আনকি ঘোঁৰাত উঠিও ওলাব নোৱাৰিব।

দেউতাকৰ নিৰ্দেশমতে সুজয় আৰু বিজয়ে খোজ কাঢ়ি দেশভ্ৰমণ কৰিবলৈ ওলাল। আৰু একেৰাহে এবছৰ ধৰি দেশৰ চাৰিওচুকত ঘূৰি ফুৰাৰ অন্তত সিহঁত পুনৰ ৰাজধানীলৈ বুলি খোজ ল'লে।

সিহঁত তেতিয়া হাবিৰ মাজেদি গৈ আছিল। হঠাৎ অনতিদূৰৰপৰা এক নাৰীকণ্ঠৰ আৰ্তনাদ সিহঁতৰ কাণত পৰিল। দুয়ো তৎক্ষণাৎ সেই আৰ্তনাদলৈ লক্ষ্য কৰি লৰি গ'ল। এইবাৰ নাৰীকণ্ঠই কৈ উঠিল, 'মই কুঁৱাৰ ভিতৰত পৰিলোঁ, মোক কোনোবাই তোলক, বচাওক—'!

এইবাৰ বিজয়-সুজয়ে দেখা পালে যে, সৰু সৰু গছ-গছনি আৰু লতা-পাতেৰে ঢাক খোৱা কুঁৱাৰপৰা ধুনীয়াৰো ধুনীয়া যুৱতী এগৰাকীয়ে সহায় বিচাৰিছে। বিজয়ে সুজয়ক ইংগিতেৰে যুৱতীক কুঁৱাৰপৰা উঠাই আনিবলৈ ক'লে। সুজয়ে লতাৰে ৰছী বনাই সেই ৰছীৰ সহায়ত কুঁৱাৰ ভিতৰলৈ নামি গৈ যুৱতীক কুঁৱাৰপৰা উঠাই আনিলে।

বিজয়ে যুৱতীক সুধিলে, "তুমি—কোন ? এই হাবিত অকলশৰীয়াকৈ—এনে দুঃসাহস হ'লনো কেনেকৈ ?"

বিজয়ৰ কথাৰ উত্তৰত যুৱতীয়ে ক'লে, "মোৰ নাম পল্লৱী। মই কৰবীপুৰৰ ৰাজকুঁৱৰী। সখিহঁতৰ লগত মোৰ হঠাৎ এৰাএৰি হ'ল। মোক বিচাৰি সিহঁতো নিশ্চয় এতিয়াই ওলাবহি। মই এই লতা-পাত-জোপোহাৰে আবৰা কুঁৱাৰ ওপৰেদি খোজ কাঢ়িবলৈ গৈ কুঁৱাত পৰিলোঁ। ভাগ্যে এই কুঁৱাত পানী নাছিল আৰু আপোনালোক আহিল।"

তেতিয়া বিজয়-সুজয়েও সিহঁতৰ চিনাকি দিলে। ৰাজকুঁৱীৰ ৰূপত বিজয় মুগ্ধ হ'ল আৰু ৰাজকুঁৱৰী পল্লৱীক বিয়া কৰাব বুলি মনতে ভাবি থাকিল। সুজয়ো

ৰাজকুঁৱৰীৰ ৰূপমুগ্ধ। সুজয়ে ভাবি আছিল ঃ মইহে পল্লৱীক কুঁৱাৰপৰা উঠাই আনিলোঁ। তাই নিশ্চয় মোক বিয়া কৰাব।

আৰু অযথা সময় নষ্ট নকৰি, সুজয়ে তাৰ মনৰ কথাটো ৰাজকুঁৱৰীক কৈয়েই পেলালে। ঠিক তেতিয়াই ৰাজকুঁৱৰীৰ সখিহঁতো আহি পালেহি। বিদায় লৈ গুচি যোৱাৰ আগতে ৰাজকুঁৱৰী পল্লৱীয়ে বিজয়লৈ এবাৰ ঘূৰি চালে।

পুত্ৰদ্বয়ৰ মুখে বিস্তাৰিত বিবৰণ শুনি ৰজা বিক্ৰমবৰ্মাদেৰে অবাক হৈ ক'লে, "এয়া দেখিছোঁ—দস্তুৰমত নাটকীয় কাণ্ড। কৰবীপুৰৰ সৈতে আমাৰ দেশৰ সম্পৰ্ক অতি মধুৰ। কিন্তু—তোমালোকৰ মাজত পল্লৱীয়ে যে কাক বিয়া কৰাব—সেই কথাটো বুজা নগ'ল। যি কি নহওক, মই কৰবীপুৰৰ ৰজাক আৰু লগতে পল্লৱীকো আমন্ত্ৰণ কৰি আনিম, তেতিয়া এই সমস্যাৰ মীমাংসা হ'ব।"

সাত দিনৰ অন্তত ভদ্ৰাৱতীদেশৰ মহামন্ত্ৰীয়ে কৰবীপুৰৰ ৰজা আৰু ৰাজকুঁৱৰীৰ পল্লৱীক লগত লৈ মহা ধুমধামৰে ভদ্ৰাৱতীদেশৰ ৰাজধানী পালেহি।

দুটামান দিন আদৰ-আপ্যায়ন-বিশ্ৰাম-আৰামত পাৰ হ'ল। তৃতীয় দিনা ৰজা বিক্ৰমে কৰবীপুৰৰ ৰজাক বিজয়-সুজয়ৰ কথাখিনি আদ্যোপান্ত বিবৰি ক'লে।

তাৰ পাছত ভদ্ৰাৱতীদেশৰ মহামন্ত্ৰীয়ে ৰাজকুঁৱৰী পল্লৱীক বিজয় আৰু সুজয়ৰ মনোভাৱৰ কথা খোলাখুলিকৈ জনোৱাৰ অন্তত ক'লে, "আই পল্লৱী, তুমি ৰাজকোঁৱৰ বিজয় বা সুজয়ৰ মাজত এজনকো বিবাহ কৰোৱাত আগ্ৰহীনে?"

পল্লৱীয়ে মূৰ দুপিয়াই সন্মতি প্ৰকাশ কৰাত মহামন্ত্ৰীয়ে ৰাজকুঁৱৰীৰ হাতত মালা এধাৰি দিলে।

পল্লৱীয়ে যে নিশ্চয় তাকেই মালা পিন্ধাব, এই কথাত সুজয় একেবাৰে নিঃচিন্ত আছিল। সুজয়ে মহামন্ত্ৰীক

ক'লে, "মাননীয় মহামন্ত্ৰী, ৰাজকুঁৱৰী পল্লৱীয়ে যে কাক মালাৰে বৰিব, নিশ্চয় অনুমান কৰিব পাৰিছে। মই তেওঁক কুঁৱাৰপৰা দাঙি ননাহেঁতেন তেওঁ ৰক্ষা নপৰিলহেঁতেন। গতিকে—এই বৰমাল্য মোৰ বাহিৰে আন কোনেও নাপায়— এই কথা দিনৰ পোহৰৰ দৰেই সঁচা।"

সলজ্জ ভংগীমাৰে পল্লৱী আগবাঢ়ি আহিল বিজয় আৰু সুজয়ৰ আগত। তেওঁ এখন্তেক ৰ'ল। আৰু তাৰ পাছত বিজয়ৰ ডিঙিত মালাধাৰ পিন্ধাই দিলে।

বিজয়ে এচেৰেঙা ৰ'দৰ দৰে হাঁহিলে মাথোন, মুখেৰে একো নক'লে। পল্লৱীয়ে সুজয়ক ক'লে, "তুমি তোমাৰ ককায়েৰাৰপৰা ইংগিত পোৱা মাত্ৰেই মোক কুঁৱাৰপৰা উঠাই অনাত তোমাক ৰামচন্দ্ৰৰ ভাতৃ লক্ষ্মণ যেন লাগিছিল, তাৰ বাহিৰে তোমাৰ সম্পৰ্কে মোৰ মনত আন কোনো চিন্তা বা ভাৱ নাছিল। তুমি তোমাৰ ককায়েৰাৰ কথামতে বিপদ সত্বেও কুঁৱাত নামি মোক উদ্ধাৰ কৰিছিলা, ঠিক,ময়ো সেই লতাৰ ৰছীডাল টানকৈ নধৰাহেঁতেন তুমিও কুঁৱাত নামিব নোৱাৰিলাহেঁতেন।"

তেতিয়া সুজয়ে ক'লে, "নবৌ, তুমি লক্ষ্মণৰ কথাৰে মোৰ মনত পৰিৱৰ্তন আনি দিলা, এইবাবে মই তোমাৰ ওচৰত কৃতজ্ঞ। মই এতিয়াৰপৰা লক্ষ্মণৰ দৰে বাধ্য তথা পবিত্ৰ হ'বলৈ চেষ্টা কৰিম।"

এই ঘটনাৰ ফলত ৰজা বিক্ৰমবৰ্মাই বিজয়ৰ ক্ষমতা তথা বুদ্ধিমত্তাৰ কথা ফটফটীয়াকৈ বুজি পালে। বিজয়ে সঠিক সময়ত পল্লৱীক উদ্ধাৰ কৰিবলৈ সুজয়ক সঠিক নিৰ্দেশ দিছিল। ৰজা হোৱাৰ ক্ষেত্ৰত এই উপস্থিত বুদ্ধি তথা বিচাৰৰ যোগ্যতা অত্যাৱশ্যক।

ৰজা বিক্ৰমবৰ্মাদেৱে তেওঁৰ জ্যেষ্ঠ পুত্ৰ বিজয়ক ৰজা পাতিবলৈ স্থিৰ সিদ্ধান্ত ল'লে আৰু নিশ্চিন্ততা লাভ কৰিলে।





বিচাৰক হ'ল বহুৱা

সুপ্ৰাচীনকালত বিন্ধ্য পৰ্বতাঞ্চল-ব্যাপী মাটি কেইজনমান জমিদাৰে নিজৰ মাজত ভগাই লৈছিল। তেওঁলোকে ৰজাক বছৰেকত এবাৰকৈ মাননী দিছিল, আৰু প্ৰজাসকলৰপৰা তেওঁলোকৰ ইচ্ছা-মতে কৰ আদায় কৰিছিল, অন্যায়-সন্যায়ে উৎপীড়ন-শোষণ কৰিছিল।

প্ৰতিজন জমিদাৰৰ আছিল কিছুমান যাঠীয়া-লাঠীয়া লাঠুৱা প্ৰকৃতিৰ মানুহ। জমিদাৰেই আছিল একেধাৰে এইবোৰ অঞ্চলৰ প্ৰকৃত ৰজা, মন্ত্ৰী,ধৰ্মগুৰু আৰু গুণ্ডাৰো চৰ্দাৰ।

এই জমিদাৰহঁতৰ মাজত এজনৰ নাম আছিল নাগচূড়ামণি।

এবাৰ, নাগচূড়ামণি অধীনত থকা বিচাৰকৰ মৃত্যু হোৱা চূড়ামণি বৰ বিমোৰত পৰিছিল। কিন্তু কেইদিনমানৰ পাছত চূড়ামণিয়ে নিজেই বিচাৰক হ'ব বুলি স্থিৰ কৰিলে; যদিও তেতিয়াৰ দিনত, জমিদাৰহঁতৰ নিজস্ব বিচাৰক নথকা হ'লে ৰজাই বিচাৰ কৰিছিল। যাবজ্জীৱন কাৰাদণ্ড বা মৃত্যুদণ্ড কেৱল ৰজাইহে বিহিব পাৰিছিল। তথাপি, নাগচূড়ামণিয়ে এই কথা প্ৰচাৰ কৰোৱালেঃ “আজিৰপৰা স্বয়ং শ্ৰীযুক্ত নাগচূড়ামণি-দেৱেই ৰাইজৰ সকলো অভিযোগৰ বিচাৰৰ দায়িত্ব লোৱা হ'ল—।”

চূড়ামণিৰ এই ঘোষণা ৰজাৰ কাণতো পৰিলগৈ। চূড়ামণিৰ বিচাৰৰ পদ্ধতি চোৱাৰ মন গ'ল ৰজাৰ।

এদিন চূড়ামণিয়ে বিচাৰ কৰি থাকোঁতে ৰজা তাত উপস্থিত হ'লগৈ

'নৱকুমাৰ'

আৰু চূড়ামণিৰ কাষৰীয়া আসনখনত বহিলগৈ। কাষত স্বয়ং ৰজা বহি থকাত চূড়ামণি বৰ অস্বস্তিত পৰিল। যি কি নহওক, বিচাৰ তো কৰিবই লাগিব। তেতিয়া দুজন মানুহ চূড়ামণিৰ সমুখত থিয় হৈ আছিল। এজনৰ মানুহৰ নাকটো কটা। চূড়ামণিয়ে নাককটা মানুহজনক সুধিলে, "তোমাৰ অভিযোগ কি, কোৱা।"

নাককটাই তাৰ কাষত থিয় হৈ থকা মানুহজনলৈ আঙুলিয়াই ক'লে, "এই মানুহজনে মোৰ নাকটো হঠাৎ কামুৰি কাটি নিলে।"

নাগচূড়ামণিয়ে অপৰাধীক সুধিলে, "তুমি কিয় এনে কাম কৰিলা?"

"হুজুৰ, মই তাৰ নাক কামুৰি কটা নাই। সি নিজেই নিজৰ নাক কাটিলে।"

চূড়ামণিয়ে ক'লে, "কোনোবাই নিজৰ নাক নিজে কামুৰিব নোৱাৰে।"

এই কথাৰ উত্তৰত অভিযুক্তই ক'লে, "সাধাৰণতঃ সেয়া সম্ভৱ নহয়। পিছে—এই মানুহজনে পীৰাৰ ওপৰত থিয় হৈ এই কামটো কৰিলে।"

চূড়ামণিয়ে ৰজাৰ পিনে এপলক চাই ক'লে, "অৱশ্যে—অসম্ভৱ বোলা কথা নাই, হ'ব পাৰে।" তাৰ পাছত চূড়ামণিয়ে আদেশ দিলে, "নাককটাৰ মানুহটোৱে মিছাকৈ গোচৰ তৰিছেহি। তাৰ কাৰণে তাক চল্লিছ বাৰ বেতেৰে কোবোৱা হওক।" তাৰ পাছত চূড়ামণিয়ে ৰজাক ক'লে, "মহাৰাজ, ভোজনৰ সময় হ'ল, দয়া কৰি ব'লক।"

খোৱা-লোৱাৰ অন্তত চূড়ামণিয়ে তাৰ পৰিবাৰক সুধিলে, "মোৰ এই বিচাৰ তুমি কেনে পালা কোৱাচোন?"

চূড়ামণিৰ পৰিবাৰে বিৰক্তিৰে ক'লে, "বিচাৰ কৰাৰ ক্ষমতা যেতিয়া নায়েই, কিয় বিচাৰকৰ ভাও লৈছা? পীৰা এখনৰ ওপৰত বহি বা থিয় হৈ তুমি তোমাৰ নকটো কামোৰাচোন চাওঁ?"

চূড়ামণিয়ে পৰিবাৰৰ কথা মতে নিজৰ নাক নিজে কামুৰিবলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল। তেতিয়া পৰিবাৰে ক'লে, "দেখিলানে? দ্বিতীয় মানুহটোৱে মিছা কথা ক'লে, আৰু তুমি বিচাৰকেও তাক এৰি দিলা। ছেঃ!"

ৰজাৰপৰা অনুমতি লৈ নাগচূড়ামণি পুনৰ বিচাৰ কৰিবলৈ বহিল। পৰ্দাৰ আঁৰত আছিল চূড়ামণিৰ পৰিবাৰ। এইবাৰ বিচাৰ কৰি থাকোঁতে চূড়ামণিৰ পৰিবাৰে চাৰিটা আঙুলি দেখুৱাই চূড়ামণিক সোঁৱৰাই দিলে মিছলীয়া মানুহটোক যাতে বেতেৰে চল্লিছ কোব শাস্তি দিয়ে—সেই কথা।

কিন্তু পৰিবাৰৰ চাৰিটা আঙুলিলৈ চাই চূড়ামণিয়ে ৰায় দিলে, "মিছা কথা কোৱাৰ অপৰাধত অভিযুক্তক চাৰিটা বেতৰ কোব শোধোৱা হওক।"

এই ঘোষণা শুনিয়েই চূড়ামণিৰ পৰিবাৰে দাঁত-মুখ কৰচি পৰ্দাৰ আঁৰৰপৰা কিবা ক'বলৈ ধৰাঁতেই চূড়ামণিয়ে তাৰ পৰিবাৰলৈ চাই কৈ উঠিল, "নহয় নহয়, বেতেৰে নোকোবাবা। তাৰ নাকটো তুমি কামুৰি কাটি দিয়া।"

এইবাৰ খঙতে একোনাই হৈ চূড়ামণিৰ পৰিবাৰ পৰ্দা গুচাই ওলাই আহিল আৰু নাগচূড়ামণিয়ে নাককটা মানুহজনক ক'লে, "এ—নহয় নহয়, তুমি তাৰ নাক নাকামুৰিবা, মোৰ পৰিবাৰেহে কামুৰিব।"

এই কথা শুনি উপস্থিত ৰাইজ, আৰু ৰজায়ো হো হোৱাই হাঁহি উঠিল আৰু ৰজাই চূড়ামণিৰ পিঠিত লাহেকৈ টুকুৰিয়াই ক'লে, "এতিয়াৰপৰা তুমি আৰু বিচাৰ কৰিব নালাগে, বুইছা নহয়? আৰু তোমাৰ জমিদাৰিও নোহোৱা হ'ল। এতিয়াৰপৰা তুমি হ'বা ৰাজসভাৰ বহুৱা।"

ৰাইজে ৰজাৰ কথাত ৰং পাই পুনৰ হো হোৱাই হাঁহিবলৈ ধৰিলে।



ভাগ্যলিপি

শংকৰে জ্যোতিষীইতক সমূলি বিশ্বাস নকৰে; কিন্তু শংকৰৰ ঘৈণীয়েক পূৰ্ণিমাই জ্যোতিষীইতক পৰিপূৰ্ণভাৱে বিশ্বাস কৰে। শংকৰৰ ছোৱালীজনী ডাঙৰ হ'ল। কিন্তু তাইৰ বিয়া-বাৰুৰ বন্দৱস্ত কৰালৈ শংকৰৰ মন-কাণেই নাই। এই কথাত পূৰ্ণিমাই সদায় তাইৰ গিৰিয়েকক কয়, "তুমি তাইক বিয়া নিদিয়ানে কি?"

এনেবোৰ কথা সদায় শুনি শুনি শংকৰৰ একেবাৰে তিতা-কেঁহা লাগি গ'ল। এদিন পূৰ্ণিমাই ক'লে, "চুবুৰীয়া গাঁৱত এজন বৰ নামকৰা জ্যোতিষী আছে। ছোৱালীজনীৰ বিয়াৰ কথা তেওঁক সুধি আহিব পাৰা দেখোন।"

শংকৰে যদিও আমনি পালে, তথাপি ক'লে, "ঠিক আছে, তুমিও ব'লা।"

শংকৰ-পূৰ্ণিমা—দুয়ো জ্যোতিষীৰ ঘৰলৈ গ'ল। দুৱাৰত টুকুৰিউৱাৰ লগে লগে শংকৰৰ ছোৱালীজনীতকৈ ঢেৰ ডাঙৰ বয়সৰ ছোৱালী এজনীয়ে দুৱাৰ খুলি দিলে আৰু ক'লে, "দেউতাক লাগে, নহয়? আহক, বহকহি।"

অলপ পাছত জ্যোতিষী আহিল। লগে লগে শংকৰে জ্যোতিষীক নমস্কাৰ কৰি ক'লে, "বেয়া নাপায় যদি—কথা এটা সোধোঁ নে?"

গহীন কণ্ঠেৰে জ্যোতিষীয়ে ক'লে, "সোধক।"

"আপোনাৰ ছোৱালীজনীৰ দেখোন ঢেৰ বয়স হ'ল। তাইৰ বিয়া হোৱা নাই কিয়?" শংকৰে সুধিলে।

মুহূৰ্ততে জ্যোতিষীৰ গাম্ভীৰ্য্য টুটি গ'ল। তেওঁ কপালত কৰাঘাত কৰি ক'লে, "সকলো ভাগ্যলিপি। ভাগ্যলিপি কোনেও খণ্ডাব নোৱাৰে। তাইৰ ভাগ্যত যিদিনা লিখা আছে, সিদিনাহে বিয়া হ'ব. নহ'লে নহ'ব।"

হঠাৎ শংকৰৰ ঘৈণীয়েকে পোনকোৱে খিয় দিলে আৰু গিৰিয়েক শংকৰক ক'লে, "উঠাচোন, উঠা। আৰু কিহলৈনো বহি থাকাঁ?" দুয়ো তৎক্ষণাৎ ঘৰমুৱা হ'ল।



4

জ্বালাদ্বীপৰ
সেই বিচিত্ৰ মানুহ আৰু
তাতোকৈ বিচিত্ৰ চৰাইৰূপী বিকট
প্ৰাণী দুটাৰ সৈতে উগ্ৰাক্ষৰ আৰু চিত্ৰসেনৰ
প্ৰচণ্ড যুদ্ধ হ'ল। উগ্ৰাক্ষৰ অনুচৰইতৰ মাজত দুটামান
মৰিল, স্বয়ং উগ্ৰাক্ষো বেয়াকৈ আহত হ'ল। উগ্ৰাক্ষৰ কিছুমান
অনুচৰ জ্বালাদ্বীপৰ প্ৰাণী দুটাৰ ভয়ত পলাই যোৱাত উগ্ৰাক্ষৰ অতিপাত
খং উঠিল। দেহৰ আৰু মনৰো তীব্ৰ অপমান তথা যাতনা সহিব নোৱাৰি
উগ্ৰাক্ষ তাত বহি পৰিল আৰু অনুচৰইতক মতাই পঠালে। তাৰ পাছত······

যন্ত্ৰণাকাতৰ কণ্ঠেৰে উগ্ৰাক্ষই চিত্ৰসেনক ক'লে, "চিত্ৰসেন, আজিৰ এই নগুৰশাস্তিৰ কথা মই জীৱনতো নাপাহৰোঁ। উগ্ৰাক্ষ ৰাক্ষসৰ এই পতন, তাৰ নিজৰ কল্পনাৰো অতীত। এই অপমান—কেৱল মোৰেই নহয়, এই অপমান সমগ্ৰ ৰাক্ষসকুলৰ অপমান!"

চিত্ৰসেনে উগ্ৰাক্ষক সান্ত্বনা দি ক'লে, "উগ্ৰাক্ষ, দুখ নকৰিবা। এই চৰাইৰূপী বিকট প্ৰাণী দুটাই ভয়ানকভাৱে যুঁজিলে।

সিহঁত দুটাৰ তুলনাত জ্বালাদ্বীপৰ সেই মানুকেইটা একেবাৰে তুচ্ছ। আচল কথা—এই চৰাইবিলাকক মাৰি পেলোৱাৰ উপায়হে চিন্তিব লাগিব। নাইবা—আন কোনোবা উপায়েৰে ইহঁতক আক্ৰমণ কৰিব পাৰিনে কি সেই কথাটো ভাবি চাব লাগিব।”

“কিন্তু চাওঁতে-চিতোঁতেই সিহঁত পুনৰ আহি পাবহি। তেতিয়া আমি কিজানি থিয় হৈ যুঁজিবও নোৱাৰিম। কিয়নো আমি প্ৰত্যেকেই কম-বেছি আহত। তোমাৰ প্ৰাসাদ মোৰ প্ৰাসাদ—সকলো সিহঁতৰ হ'ব—এই কথা সহ্যৰ অতীত।”

হতাশ উগ্ৰাক্ষই ক্ষীণ অথচ ক্ষুব্ধ কণ্ঠেৰে ক'লে।

চিত্ৰসেনে সুধিলে, “জ্বালাদ্বীপবাসীয়ে আমাক আক্ৰমণ কৰিবহিয়েই বুলি ভাবিছা কিয়? সঁচাসঁচিকৈয়েই এনে ধৰণৰ আশংকা কৰিছানে তুমি?”

“নহ'লেনো সিহঁতে বাৰে বাৰে আমাক আক্ৰমণ কৰিছেহি কিয়?” উগ্ৰাক্ষই চিত্ৰসেনক সুধিলে।

“মোৰ ধাৰণা কিন্তু বেলেগ।” চিত্ৰসেনে ক'লে।

“কি?” অবাক দৃষ্টি মেলি উগ্ৰাক্ষই চিত্ৰসেনক সুধিলে।

“সিহঁতে ইয়াৰপৰা কাৰোবাক ধৰি লৈ যাব বুলিহে আহে।”

উগ্ৰাক্ষই ক'লে, “কিন্তু সেই কথাটো সঠিককৈ জনাৰ উপায় নাই। যদিওবা এসময়ত এটাক আমি ধৰিছিলোঁ, সেইটোও আমি অলপো অত্যাচাৰ নকৰা সত্বেও ৰাতিৰ ভিতৰতে মৰি থাকিল।”

“এদিন নিশ্চয় সিহঁতৰ মাজত কেইটা-মানক আমি ধৰা পেলাব পাৰিম। তেতিয়া আৱশ্যক হ'লে সিহঁতকেইটাক দুৰন্ত অত্যাচাৰ কৰি হ'লেও আচল কথা উলিয়াব পৰা যাব। আটাইতকৈ গুৰুত্ব-পূৰ্ণ কথা হ'ল—জ্বালাদ্বীপ ক'ত? তালৈ

কেনেকৈ যাব লাগে? এইবোৰ কথা সিহঁতৰপৰা প্ৰথমেই জানি ল'ব লাগিব। তাৰ পাছত জানি ল'ব লাগিব এই-বোৰ ভয়ংকৰ চৰাইক সেও কৰাৰ ৰহস্য। এই চৰাইবিলাক ক'ৰ? আৰু—আমাৰ ইয়াৰ অধিবাসীহঁতক সিহঁতে কিয় ধৰি নিছে তাকো জানি ল'ব লাগিব।" চিত্ৰসেন এখন্তেক ৰ'ল আৰু তাৰ পাছত পুনৰ ক'লে, "উগ্ৰাক্ষ, মই এতিয়া যাওঁগৈ। তুমি ভাল হৈ নুঠালৈকে জিৰণি লোৱা। তোমাৰ অনুচৰহঁতক কৰ্কথনা নকৰিবা, বৰঞ্চ সিহঁতৰ মনত সাহস যোগাবা। আৰু—সদা-সৰ্বক্ষণ সাৱধান হৈ থাকিবা।" এই বুলি কৈ, তাৰপৰা ওলাই গুচি যাবলৈ ধৰোঁতেই উগ্ৰাক্ষই তাৰ বিৰাট নোমাল হাতখন দাঙি চিত্ৰসেনক অলপ ৰ'বলৈ ক'লে।

উগ্ৰাক্ষই ক'লে, "চিত্ৰসেন, মই বেয়াকৈ আহত হোৱাৰ কথাটো সদৰি নোহোৱাই ভাল। কথাটো তুমিও কাকো নোকোৱা যেন। মোক জ্বালাদ্বীপৰ চৰায়ে ক্ষত-বিক্ষত কৰিলে বুলি শুনিলে তোমাৰ প্ৰজাহঁতৰ আগতো মই হাঁহিয়াতৰ পাত্ৰ হৈ পৰিম।" এই বুলি কৈয়েই উগ্ৰাক্ষই তাৰ অতি বিশ্বস্ত অনুচৰ এটাক চিঞৰি মাতিলে।

আৰু ঠিক তেতিয়াই চিত্ৰসেনৰ সেনা-পতিয়ে চিত্ৰসেনক মাতিলেহি, "মহাৰাজ!"

"কোৱা।" চিত্ৰসেনে সেনাপতিলৈ ঘূৰি চালে।

"জ্বালাদ্বীপৰ জন্তুবিলাকক প্ৰতিৰোধ কৰাত উগ্ৰাক্ষৰ অনুচৰহঁতো আমাৰ লগত আছিল। এই ঐক্য যাতে অটুট থাকে তাৰ বন্দবস্ত কৰিব লাগিব মহাৰাজ। সিহঁত যে বহু সংখ্যক বিকট চৰাই লৈ পুনৰ নোলাবহি—তাৰ কোনো মানে নাই।" সেনাপতিয়ে ক'লে, "এই ভয়ংকৰ চৰাইবোৰ আনকি আমাৰ ৰাজধানীলৈকো যাব পাৰে।"

চিত্ৰসেন অলপ দূৰ আগুৱাই গ'ল, আৰু ঠিক তেতিয়াই 'মহাৰাজ, মহাৰাজ' ! বুলি চিংকাৰ কৰি, অস্ত্ৰ হাতত লৈ, ৰাক্ষস-অনুচৰ দুটা দৌৰি আহিল আৰু ক'লে, "মহাৰাজ, মহাৰাজ—দয়া কৰি অলপ ৰ'ব।"

চিত্ৰসেন ৰ'ল। উগ্ৰাক্ষৰ অনুচৰ দুটাই চিত্ৰসেনক ক'লে, "মহাৰাজ, আমাৰ পৰভুৱে আপোনাক এতিয়াই কুম্ভীঢিপিলৈ যাবলৈ কৈছে। তেওঁ তাতে আপোনাৰ বাট চাই ৰৈ আছে।"

"কিহৰ কাৰণে—?" চিত্ৰসেনে আমনি পোৱা যেন হৈ সুধিলে।

"মহাৰাজ, চৰাইব পিঠিত উঠি অহা-হঁতৰ মাজত এটা ধৰা পৰিল। সেই দেখিহে তেওঁ আপোনাক মাতিছে।" অনুচৰ এটাই ক'লে।

"ক'ত আছে সেই জ্বালাদ্বীপৰ মানুহটো?" চিত্ৰসেনে উগ্ৰাক্ষৰ অনুচৰ দুটাক সুধিলে।

"আছে এজোপা গছৰ ওপৰত। সি একোপধ্যে গছৰপৰা নানামিব। সেই দেখিহে আমাৰ দেউতা-পৰভুৱে আপোনাক লৈ যাবলৈ কৈছে।" সিহঁতে ৰজা চিত্ৰসেনক ক'লে।

অনুচৰ দুটাৰ লগে লগে চিত্ৰসেন

সেনাপতিৰ কথা শুনি চিত্ৰসেনৰ খং উঠিল; কিন্তু খং প্ৰকাশ নকৰি মনৰ খং মনতে সামৰি, চিত্ৰসেনে সেনাপতিক ক'লে, "আমাৰ নগৰৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব ৰাক্ষসহঁতৰ হাতত এৰি দিম—তুমি ইয়াকে ক'ব খুজিছানে কি সেনাপতি? যদি পৰিস্থিতি এনেকুৱাই হৈ উঠে যে আমাৰ ৰাজধানী উগ্ৰাক্ষৰ অনুচৰহঁতেহে ৰক্ষা কৰিব লাগিব, তেনেহ'লে তাৰ আগতে মই অৱশ্যেই এই সিংহাসন পৰিত্যাগ কৰিম।"

ৰজা চিত্ৰসেনৰ কথা শুনি সেনাপতি তলমূৰ হ'ল।

আগুৰাই গৈ থাকিল। এজোপা ওখ গছত বাঘৰ ছাল পিন্ধা মানুহ এটাক দেখা পালে তেওঁ। তেতিয়া মানুহটোৱে তৰোৱাল দাঙি ধৰি কৈ আছিল, “নানামো মই এই গছৰপৰা। জানি-বুজি মই ৰাক্ষসহঁতৰ খাদ্য হ’ম কিয়? যদি গছত উঠি কোনোবাই মোক ধৰাৰ চেষ্টা কৰে—একেঘাপে তাক মই দুছোৱা কৰিম, আৰু তাৰ পাছত লাগিলে মই আত্মঘাতী হ’ম।”

উগ্ৰাক্ষই চিত্ৰসেনক ক’লে, “চিত্ৰসেন, এই মানুহজন যে জ্বালাদ্বীপৰ—বুজিছাই। যিকেইজন আহিছিল, চৰাইৰ পিঠিত উঠি পলাই গ’ল; কিন্তু ই বোধকৰোঁ পলাব নোৱাৰিলে। কিন্তু ইয়াক জীয়াই জীয়াই ধৰি অনাটোও টানেই হ’ব যেন পাইছোঁ। তুমি তাক গছৰপৰা নমাই আনিবলৈ যেনেতেনে এবাৰ চেষ্টা কৰি চোৱাচোন।” উগ্ৰাক্ষই ক’লে।

চিত্ৰসেনে গছৰ ওপৰত থকা বাঘৰ ছাল পিন্ধা মানুহটোক ক’লে, “তুমি গছৰ ওপৰত বহি আছা কিয়? একদম ভয় নকৰিবা, নামি আহাঁ।” মই তোমাক কথা দিছোঁ, একো ভয় নাই, নামি আহাঁ।”

“কোনহে তুমি—যে তোমাৰ কথাত নামি আহিম? তুমি হুকুম কৰিলেই মই তোমাৰ হুকুম মানিমনে? তুমিনো ক’ৰ হাকিম ওলালাহিহে? নে—তুমি





এই দেশৰ ৰজা?” মানুহটোৱে চিত্ৰসেনক ইতিকিঙৰ সুৰতে ক'লে।

“হয়, মই এই দেশৰ ৰজা। মই ৰজাই কৈছোঁ, তোমাৰ একো ভয় নাই, নিঃচিন্ত মনেৰে নামি আহঁা। মই কথা দিছোঁ, তোমাক কোনেও আনকি স্পৰ্শও নকৰিব।” চিত্ৰসেনে ক'লে।

হঠাৎ তাত উপস্থিত থকাহঁতে একেলগে কৈ উঠিল, “মহাৰাজৰ জয় হওক! মহাৰাজৰ জয় হওক!”

মানুহটোৱে এক অবাক দৃষ্টি মেলি চিত্ৰসেনলৈ চাই ৰ'ল। অলপ পাছত সি চিত্ৰসেনক সুধিলে, “এই ৰাক্ষসবিলাক কাৰ তলতীয়া? মোক ধৰিব পাৰে যদি—সিহঁতে মোক চোবাই নাখাবনে?”

“মোৰ অনুমতি বিনে সিহঁতে তোমাৰ কোনো অনিষ্ট কৰিব নোৱাৰে।” এই বুলি কৈয়েই চিত্ৰসেনে উগ্ৰাক্ষলৈ চালে আৰু এই চাৱনিৰ অৰ্থ উগ্ৰাক্ষই বুজি পালে। উগ্ৰাক্ষৰপৰা ইংগিত পাই তাৰ অনুচৰহঁতে সমবেত কণ্ঠেৰে কৈ উঠিল, “জয়—মহাৰাজ চিত্ৰসেনৰ জয়”!

আৰু জয়ধ্বনি দিয়াৰ পাছত সিহঁত চিত্ৰসেনৰ আগত তলমূৰ হৈ থিয় হ'ল। আনকি উগ্ৰাক্ষয়ো তলমূৰ হৈ চিত্ৰসেনক প্ৰণাম কৰিলে।

এইবাৰ গছোৱাই গছৰপৰা নামিবলৈ ধৰিলে। গছোৱাই চিত্ৰসেনক ক'লে, “মহাৰাজ, আপোনাৰপৰা অভয় পাইহে মই নামি আহিলোঁ।”

চিত্ৰসেনে মানুহটোৰ কান্ধত হাত থৈ ক'লে, “তোমাৰ একো ভয় নাই। তোমাৰ তৰৱাৰিখন আমাৰ সেনাপতিক দিয়া।” লগে লগে সেই মানুহটোৱে তাৰ তৰোৱালখন সেনাপতিৰ হাতত গটাই দিলে। উগ্ৰাক্ষই চিত্ৰসেনক গুন-গুনকৈ ক'লে, “চিত্ৰসেন কোনো ধৰণৰ অত্যাচাৰ নকৰাকৈয়েই তুমি ইয়াৰ পেটৰ কথা উলিয়াব পাৰিবা যেনহে পাওঁ।”

উগ্ৰাক্ষৰ হাৰ-ভাৰ দেখি আৰু ফুচফুচনি শুনি জ্বালাদ্বীপৰ মানুহটোৱে ক'লে, "মই সকলো কথা তোমালোকক ক'ম; কিয়নো—সিহঁতে বিপদকালত মোক এৰি থৈ গুচি গ'ল। ইমানপৰে সিহঁত পূব সমুদ্ৰৰ ওচৰত থকা জ্বালাদ্বীপ পালেগৈ, আৰু ইয়াতে শত্ৰুপৰিবেষ্টিত অৱস্থাতে মোক এৰি থৈ গ'ল।"

"তুমি জ্বালাদ্বীপৰ মানুহ নহয়নে কি?" চিত্ৰসেনে বিস্ময়ৰে সুধিলে।

"মই জ্বালাদ্বীপৰ হোৱাহেঁতেন এইদৰে মোক ধৰিব নোৱাৰিলাহেঁতেন। মই হ'লোঁ কপিলপুৰৰ ৰজা নাগবৰ্মাৰ সৈন্য। মোৰ নাম অমৰপাল।" মানুহটোৱে ক'লে।

এই কথা শুনি অবাক হৈ চিত্ৰসেনে সুধিলে, "নাগবৰ্মা আছিল কপিলপুৰৰ ৰজা বীৰসিংহৰ সেনাপতিহে! নাগবৰ্মানো কেনেকৈ কপিলপুৰৰ ৰজা হ'ল?"

"ৰজা বীৰসিংহ সম্ভৱতঃ সম্প্ৰতি জ্বালাদ্বীপত বন্দী অৱস্থাত আছে। নাগবৰ্মাই কেৱল ৰজা হৈ ক্ষান্ত থকা নাই, ৰজা বীৰসিংহৰ একমাত্ৰ কন্যা ৰাজকুঁৱৰী কান্তিমতিক জোৰ কৰি বিয়া কৰাবলৈ চেষ্টা কৰি আছে। কথা মাথোন সিমানেই নহয়। জ্বালাদ্বীপবাসীহঁতৰ সহায়-সহযোগিতাৰে নাগবৰ্মাই ওচৰ-পাঁজৰৰ অন্যান্য অঞ্চলো দখল কৰি সম্ৰাট হোৱাৰ চেষ্টা চলাইছে। কান্তিমতিক বিয়া কৰোৱা

আৰু সম্রাট হোৱাৰ চেষ্টাত নাগবৰ্মা বদ্ধপৰিকৰ।" অমৰপালে চিত্ৰসেনক ক'লে।

নিজ ৰাজ্যৰ বাহিৰত ক'ত কি ঘটিছে—সেই খবৰ চিত্ৰসেনে নলৈছিল। সীমান্ত অঞ্চলৰ কিছুমান বদমাছ মানুহৰ লগত জ্বালাদ্বীপবাসীহঁতৰ বন্ধুত্বৰ এই বাতৰি এতিয়াহে অমৰপালৰ মুখে শুনিলে তেওঁ। চিত্ৰসেনে ভাবিলে ঃ অমৰপালে সঁচা কথা কৈছেনে? নে কথা ৰুইছেহে?

এইবোৰ কথা ভাবি থাকোঁতেই দূৰৰপৰা ঘোঁৰাৰ খুৰাৰ শব্দ উঠিল। চিত্ৰসেনে সেই ফাললৈ চালে। মন্ত্ৰী আৰু তেওঁৰ লগত চাৰিজন সৈন্য ঘোঁৰাত উঠি আহিব ধৰিছে। মন্ত্ৰীয়ে পোনে পোনেই চিত্ৰসেনৰ কাষ চাপি আহি তেওঁক ক'লে, "মহাৰাজ, আপোনাৰ পিতৃদেৱে ধৰলগিৰিৰপৰা বাতৰি পঠালে যে—নাগবৰ্মা নামৰ কোনোবা এক ৰাজ-দ্ৰোহী, বিশ্বাসঘাতকে সৈন্যবাহিনীৰে সৈতে ধৰলগিৰি আক্ৰমণ কৰিবলৈ আগবাঢ়ি আহিব ধৰিছে।"

চিত্ৰসেনে তেওঁৰ সেনাপতিলৈ চাই তৎমুহূৰ্তত ক'লে, "সেনাপতি, আমাৰ সৈন্যবাহিনীৰ আধাখিনি সৈন্য লগত লৈ এতিয়াই ধৰলগিৰিলৈ আগুৱাই যোৱাঁ। মই এইফালৰ দায়িত্ব ল'লোঁ। এই অঞ্চল মই নিজেই ৰক্ষা কৰিম।"

"যথা আজ্ঞা, মহাৰাজ!" এই বুলি কৈ, চিত্ৰসেনক যথোচিত অভিবাদন কৰি, সেনাপতি তাৰপৰা ওলাই গুচি গ'ল।

"নাগবৰ্মাই যি সৈন্যবাহিনীৰে সৈতে ধৰলগিৰি আক্ৰমণ কৰিবলৈ ধাৱিত হৈছে, সেই সৈন্যবাহিনীত জ্বালাদ্বীপবাসীও আছেনে?" উগ্ৰাক্ষই অমৰপালক সুধিলে।

অমৰপালে উগ্ৰাক্ষৰ কথাৰ উত্তৰ দিবলৈ মুখখন মেলিয়েই হঠাৎ আকাশৰ পিনে চালে। আৰু সি অপলক দৃষ্টিৰে আকাশলৈ চায়েই থাকিল। [অহা সংখ্যাত

অমৃত

ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছ-জোপাৰ ওচৰলৈ উভতি গ'ল আৰু ডালৰ-পৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, সেই মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে বিক্ৰমাদিত্য ক'লে, "হে ৰজা, তুমি যে উদাৰচিতীয়া, আৰু লোকৰ মংগলৰ বাবেই যে এই শ্ৰম কৰি আছা, সেই কথাত মোৰ সন্দেহ নাই। পিছে—এটা কথা মনত ৰাখিবা, কেতিয়াবা পুণ্য নকৰা মানুহেও দেৱতাৰ অনুগ্ৰহ নোপোৱা নহয়। মোৰ কথাৰ প্ৰমাণস্বৰূপে তোমাক আজি ধনলোভী আৰু চোৰৰ কাহিনী ক'ম। এই কাহিনী শুনি শুনি খোজ ল'লে আন একো লাভ নহ'লেও তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ৰজাক ক'বলৈ ধৰিলেঃ

'বেতাল-কথা'

পাটলিপুত্ৰ নগৰত লোভনাথ নামৰ এজন আঢ্যৱন্ত মানুহ আছিল। এবাৰ লোভনাথ বৰ টান বেমাৰত পৰিল। তাক যে কি বেমাৰ ধৰিলে—কোনো চিকিৎসকে ধৰিব নোৱাৰিলে। তাৰ ফলত কোনেও দৰব-পাতিও দিব নোৱাৰিলে।

এদিন এগৰাকী সাধুৱে লোভনাথক দেখি ক'লে' "তুমি ধনলৈ খেদি খেদি এই জীৱনত কোনো সৎ তথা পুণ্যকাৰ্য্য কৰাৰ সময় পোৱা নাই। তুমি জীৱনত বহুতো পাপ কাম কৰিলা। সেই পাপেই বেমাৰৰ ৰূপ ধৰি তোমাক কষ্ট দিছে। পুণ্য যদি নকৰা, বেমাৰৰপৰা ভাল হৈয়ো ভাল হৈ নুঠিবা। এতিয়াৰপৰা সদায় পুণ্যকাম কৰা, ভাল ফল পাবা।"

লোভনাথে সাধুৰ কথাৰ অৰ্থ ঠাৱৰ কৰিব নোৱাৰি সাধুক ক'লে, "সাধুবাবা, পুণ্যকাম কাক কয় মই যে একেবাৰে নাজানো। দয়া কৰি কওকচোন—সেইটো—মানে পুণ্যকাম কি বস্তু?"

"তুমি যিবোৰ সৎকাম কৰিবা, সেই-বোৰেই হ'ল পুণ্যকাম। যি কামৰ ফল ভাল হয়, তাকে পুণ্যৰ কাম বোলে।" এই বুলি লোভনাথক কৈ, সাধুবাবা তাৰপৰা গুচি গ'ল।

যিসময়ত সাধুৱে লোভনাথক এইবোৰ কথা কৈ আছিল, সেই সময়ত লোভনাথৰ পৰিয়ালৰ প্ৰায়ে আটাইকেইজনেই সাধুৰ কথাখিনি শুনিছিল। সাধুৰ কথা শুনি লোভনাথৰ পৰিবাৰ মোহৰতীয়ে ক'লে, "অন্ন দান কৰা ভাল কাম। ভালকাম মানে—পুণ্যৰ কাম।"

"অন্ন দানৰ অৰ্থ হ'ল—নাওপেটা-বিলাকৰ পেট ভৰোৱাহে। হেঁঃ—নিজৰ নাই, আনক মাতি খুৱাম। সেইবোৰ নহৈছে। পুণ্য হ'ব পৰা কোনো নিজঞ্চাল কামৰ কথা ভাবাচোন। ইমান আউললগা কামত মই নাই, থাকিব নোৱাৰিম। লোভনাথে মোহৰতীক চাফ চাফকৈ ক'লে।

তাৰ পাছত, পৰিয়ালৰ প্ৰায় আটাই-কেইজনেই একোটাকৈ প্ৰস্তাৱ দিলে। —বস্ত্ৰদান, বিদ্যাদান, শ্ৰমদান—ইত্যাদি। এটা ল'ৰাই পোনে পোনেই ধন দান কৰিবলৈ ক'লে। আৰু শেহান্তৰত মোহৰতীয়ে ক'লে, "তীৰ্থলৈ গলালেও পুইণ আৰ্জিব পাবি দেখোন!"

লগে লগে লোভনাথে কৈ উঠিল, "ঈশ্বৰ-দৰ্শন কৰিবলৈ অ'লৈ-তলৈ তীৰ্থ লৈ গলাব লাগিব কিয়? ঈশ্বৰ সকলোতে আছেই নহয়? তোমালোকে—আমাৰ গাঁৱৰ মন্দিৰত সোমাই মোৰ কাৰণে প্ৰাৰ্থনা কৰিলেই মই একদম ভাল হৈ উঠিম।"

*

আনকি পুণ্যাৰ্জনৰ বাবেও লোভনাথে ধন খৰচ নকৰে—এই কথাটো আটাই-কেইজনেই ফটফটীয়াকৈ বুজি পালে। যি কি নহওক—পৰিয়ালৰ সকলোটিয়েই মন্দিৰলৈ গৈ প্ৰাৰ্থনা কৰিলে; কিন্তু লোভনাথ তথাপি ভাল হৈ নুঠিল।

*

এদিন লোভনাথে ভাবিলে ঃ সাধুবেটা মিছাৰ ভঁৰাল। কোনো বেপাৰীয়েই ধনৰ বাহিৰে আন চিন্তা নকৰে। পৰিয়ালৰ প্ৰতিজনেই প্ৰাৰ্থনা কৰিলে, তথাপি মই ভাল হৈ নুঠিলোঁ। কিয়? পাপ-টাপ চব একদম বাজে কথা, মানুহৰ জীৱনত আচল কথা হ'ল—ভাগ্য, বা দুৰ্ভাগ্য।

*

এটা চোৰে বহুদিনৰেপৰাই লোভনাথৰ ঘৰত চুৰি কৰাৰ তালত আছিল। এইবাৰ লোভনাথ নৰিয়াপটীত পৰাত সি চুৰি কৰাৰ আঁচনিটো বঢ়িয়াকৈ স্থিৰ কৰিলে।

*

আঁচনি মতে, সি দুনিশা লোভনাথৰ ঘৰত সোমাল, আৰু এনে কিছুমান চিন এৰি থৈ গ'ল, যিবোৰ চিন চাই ঘৰৰ মানুহে চোৰ সোমোৱাৰ কথাটো ভালকৈ বুজিব পাৰে।

কথা নিশ্চয় জানা তুমি ?"

বিস্মিত লোভনাথে তাৰ পৰিবাৰক আৰু ল'ৰা-ছোৱালীহঁতকো তেনে ধৰণৰ ঘটনা ঘটিলনে কি সেই কথা সুধিলে।

সাধুৱে পুনৰ ক'লে, "তোমাৰ ঘৰৰ-পৰা লখিমীয়ে বিদায় ল'ব।"

"বাবা, লখিমীক কেনেকৈ ঘৰতে ৰাখিব পাৰি—তাৰ এটা উপায় দিয়ক।" লোভনাথে কাতৰ কণ্ঠেৰে ক'লে।

"তাৰ কাৰণেহে আহিলোঁ। পিছে—মোক পঞ্চবিধৰ পায়স ৰান্ধি খুৱাব লাগিব। তাৰ পাছত মই লখিমীৰ ধ্যানত বহিম। ধ্যানৰ অন্তত সকলোকে প্ৰসাদ খাবলৈ দিম। তাৰ পাছত তোমাৰ ঘৰৰপৰা—খেদিলেও লখিমী ক'লৈকো নাযাব।" সাধুৰ ভেশধাৰী চোৰটোৱে ক'লে।

সাধুৰ প্ৰস্তাৱত লোভনাথ সন্মত হ'ল।

*

সেইদিনাই ৰাতিৰ পৰতে পঞ্চপায়স প্ৰস্তুত হ'ল। পঞ্চপায়স খোৱাৰ পাছত সাধুৰূপী চোৰটো লখিমীৰ পূজাত তথা ধ্যানত বহিল। বহুপৰলৈকে সি পূজাৰ ভাও দিলে। তাৰ পাছত প্ৰসাদ বিলালে। এই প্ৰসাদত আছিল টোপনিৰ দৰব। প্ৰসাদ খোৱাৰ পাছমুহূৰ্ততে গোটেই পৰিয়ালটোৱেই মৰ-টোপনি মাৰিলে।

ঘৰত চোৰ সোমোৱাৰ কথা লোভনাথৰ পৰিবাৰ মোহৰতীয়ে ভালকৈ বুজিব পাৰিলে। ল'ৰা-ছোৱালীহঁতক চোৰৰ কথা কোৱাৰ অন্তত মোহৰতীয়ে সিহঁতক ক'লে, "তহঁতৰ দেউতাৰক কথাটো নক'বি, তেতিয়া তেওঁৰ বেমাৰ আৰু বাঢ়িবহে।"

*

তৃতীয় দিনত চোৰটোৱে সাধুৰ ভেশ লৈ লোভনাথক ক'লেহি, "তোমাৰ আৰু তোমাৰ পৰিয়ালৰ সকলোটিৰেই বিপদে চমু চাপিছে। এই বিষয়ত তোমাক সাৱধান কৰিবলৈহে মই আহিলোঁ। ইতিমধ্যেই তোমাৰ ঘৰত চোৰ সোমোৱাৰ

আৰু এইছেগতে চোৰটোৱে লোভনাথৰ গাঁৰুৰ তলত থকা চন্দুকৰ চাবি উলিয়াই লৈ সোণৰ অলংকাৰ, টকা-পইচা আটাইখিনি গোটাই-পিটাই টোপোলাত বান্ধি ল'লে আৰু কোনো সাৰে আছেনে কি তাৰ উমান ল'বলৈ একে একে পৰিয়ালখনৰ সকলোটিৰ মুখলৈ তীব্ৰ দৃষ্টিৰে ভালকৈ নিৰীক্ষণ কৰিলে।

হঠাৎ মোহৰতীৰ মুখখনত চোৰটোৱে তাৰ মাকৰ মুখখনকে দেখা পালে। সি হঠাতেই থৰ হৈ গ'ল! সি ভাবিলে ঃ এই গৰাকী মহিলাই মোক মাৰ দৰে যত্ন কৰি ৰান্ধি-বাঢ়ি খুৱালে। এওঁৰ ঘৰত—ওহোঁ, চুৰি মই কৰিব নোৱাৰিম।

এই কথা ভাবি, চোৰটোৱে গহনা-পাতি, টকা-পইচা পুনৰ চন্দুকৰ ভিতৰত ভৰাই থৈ, চাবিকোছা লোভনাথৰ মূৰ শিতানৰ তলত ঠিকমতে থৈ, ঘৰৰপৰা ওলাই যাবলৈ ধৰোঁতেই সি ভাবিলে ঃ এইদৰে অৰক্ষিত অৱস্থাত এৰি থৈ যাওঁ যদি, আন কোনোবা চোৰে যে সৰ্বনাশ নকৰিব তাৰ মানে নাই। —এই কথা ভাবি, চোৰটোৱে ওৰে ৰাতি ঘৰটো পৰ দি উজাগৰে কটালে। ঢলপুৱা মোহৰতীয়ে সাৰ পালে। সাৰ পাই, সাধুক দেখা পাই প্ৰণাম কৰিবলৈ আগুৱাই সাধুৰূপী চোৰটোৱে মোহৰতীক ৰখাই সকলো ঘটনাৰ কথা, আৰু সি যে এটা চোৰ সেই কথাটোও ক'লে। তাৰ পাছত সি এতিয়াৰপৰা চুৰি-চাপাচী এৰি শ্ৰম কৰি খাব বুলি মোহৰতীক ক'লে।

সকলো কথা ধৈৰ্য্যৰে শুনি মোহৰতীয়ে চোৰটোক ক'লে, "কিন্তু এইবোৰ কথা তুমি মোৰ স্বামীক নক'বা। তেওঁ কিন্তু তোমাক ক্ষমা নকৰে। যি কি নহওক, তুমি লখিমীৰ পূজা কৰিলা, এয়া তোমাৰ আৰু লগতে আমাৰো পুণ্যৰ কাম হ'ল।

তেতিয়াই লোভনাথে টোপানিৰপৰা সাৰ পালে। লোভনাথে তাৰ পৰিবাৰ

মোহৰতীক ক'লে, "চোৰাঁ, মোৰ বেমাৰ বোধকৰোঁ ভাল হৈ গ'ল। মই আগৰদৰেই ফুৰাচকা কৰিব পাৰিছোঁ। লখিমীৰ পূজা কৰাত মোৰ বেমাৰ ভাল হ'ল।" আনন্দৰে লোভনাথে কথাখিনি ক'লে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, লোভনাথ বেমাৰত পৰি থকাৰ সময়ত এগৰাকী সাধুৱে তাক পুণ্যকাৰ্য্য কৰাৰ উপদেশ দিছিল। পুণ্যকাৰ্য্য নকৰিলে যে কোনো দৰবে তাৰ বেমাৰ ভাল নকৰিব, তাকো কৈছিল। লোভনাথে যে চোৰটোক পঞ্চপায়স খুৱাইছিল, তাৰ মূলতো আছিল স্বাৰ্থবুদ্ধি। আৰু স্বাৰ্থবুদ্ধি থাকিলে পুণ্যকাৰ্য্য নহয়। তথাপিনো লোভনাথে কেনেকৈ পুণ্যাৰ্জন কৰিলে আৰু ৰোগমুক্ত হ'ল? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্বেও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা শিলৰ ৰেখা।"

বেতালৰ এই কথাৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "অমৃত জানি-বুজি খালেও যি, নাজানি খালেও সি। ফল একেই হ'ব। ঠিক তেনেকৈয়েই—স্বাৰ্থ বা পৰাৰ্থ যিকোনো কাৰণতে নহওক, হিতকৰ অৰ্থাৎ আন্তৰিকতাৰে সৎ কাৰ্য্য কৰিলে পুণ্য হ'বই। লোভনাথে চোৰটোক সাধু বুলি জানি আন্তৰিকতাৰেই খুৱাইছিল। আৰু তাৰ এই সহজ বিশ্বাসৰ ফলত তাৰ পুণ্য অৰ্জিত হৈছিল। তাৰ পুণ্যৰ ফলত আনকি চোৰটোৰ মনতো পৰিৱৰ্তন হৈছিল। গতিকে—লোভনাথে পুণ্যাৰ্জন কৰা নাছিল বুলি কোৱাটো ঠিক নহ'ব। এই পুণ্যৰ বলতে লোভনাথ ব্যাধিমুক্ত হ'ল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



তীৰ্থৰ অৰ্থ

দেৱনগৰ নামৰ এখন নগৰ আছিল। সেই নগৰত চন্দ্ৰবণিক নাম এজন অলংকাৰৰ ব্যৱসায়ী আছিল। চন্দ্ৰবণিকৰ ঘৈণীয়েকৰ নাম আছিল মণিকুন্তলা।

এবাৰ দুয়ো তীৰ্থলৈ ওলাব বুলি ভাবিলে। চন্দ্ৰই নিজৰ ইচ্ছাৰ কথা গাঁৱৰ পুৰোহিতক জনাই ক'লে, "পাঁজি-পুথি চাই শুভ যাত্ৰাৰ দিন কৈ দিয়ক।"

পুৰোহিত ৰামশৰ্মাই পাঁজি-পুথি চাই শুভ যাত্ৰাৰ দিন-খেণ ঠিক-ঠাক কৰাৰ পাছত চন্দ্ৰবণিকক ক'লে, "আপোনালোকে কিয় তীৰ্থলৈ ওলাইছে, আপোনালোকেহে জানে। পিছে—তীৰ্থলৈ ওলাই বেপাৰ-বণিজ ঘৰ-দুৱাৰ আনকি ঘৰৰ ল'ছালীহঁতৰ কথাও ভাবি নাথাকিব। সদা-সৰ্বক্ষণ ঈশ্বৰ ধ্যান ঈশ্বৰ জ্ঞান কৰিব। নহ'লে তীৰ্থ ভ্ৰমণ ব্যৰ্থ হ'ব।" এইদৰে পুৰোহিতে অন্যান্য উপদেশো দিলে।

ৰামশৰ্মাৰ উপদেশ মতে চন্দ্ৰবণিক সস্ত্ৰীক তীৰ্থ যাত্ৰালৈ ওলাল। বহু তীৰ্থ ভ্ৰমি, এদিন দুপৰীয়া, দুয়ো এখন নৈৰ কাষেদি গৈ থাকোঁতে মণিকুন্তলাৰ নৈৰ পাৰত জিৰণি লবলৈ বহিল আৰু চন্দ্ৰবণিক গ'ল স্নান কৰিবলৈ।

নৈৰ সিপাৰে আছিল পাহাৰৰ লানি। সেই পাহাৰৰ অ'ত ত'ত মণি-মুকুতা থকাৰ কথা চন্দ্ৰবণিকৰ কাণত পৰিছিল। চন্দ্ৰবণিকে স্নান সমাপন কৰি মণি-মুকুতাৰ কথা ভাবি ভাবি উভতি আহি চালে যে মণিকুন্তলাই টোপনিত লাল-কাল দিলে।

মণিকুন্তলা য'ত টোপনিয়াই আছিল, তাৰপৰা অলপমান আঁতৰত অতি উজ্বল

সানন্দ শইকীয়া

কিবা এটা বস্তু পৰি থকা দেখি চন্দ্ৰবণিকে বুটলি আনি বিস্ময়ত হতবাক হ'ল। বস্তুটো আছিল এটা মণি।

কিন্তু এই মণিৰে চন্দ্ৰই যে কি কৰিব, ভাবিও পাৰ-কূল নাপালে। চন্দ্ৰবণিকৰ মনত পৰিল বৃদ্ধ পুৰোহিত ৰামশৰ্মাৰ কথাঃ আন একো চিন্তা নকৰি সদা-সৰ্বক্ষণ ঈশ্বৰৰ চিন্তা কৰিব লাগিব। চন্দ্ৰবণিকে ভাবিলেঃ কিন্তু মণিকুন্তলাই সাৰ পাই যদি এই মণি দেখা পায়—ৰামশৰ্মাৰ কথা মানিবনে? সেয়েহে, মণিকুন্তলা সাৰ পোৱাৰ আগতেই চন্দ্ৰই মণিটো মাটিৰ তলত পুতি থ'লে।

অলপ সময়ৰ পাছত কুন্তলাই টোপনিৰ-পৰা সাৰ পালে। তাৰ পাছত দুয়ো গৈ থাকিল। বহুদূৰলৈকে যোৱাৰ পাছত চন্দ্ৰবণিকে পৰিবাৰক কথাটো ক'লে।

"সেইটো আছিল এটা মণিহে! তুমি চিনি পোৱা নাছিলা?" কুন্তলাই সুধিলে। পৰিবাৰৰ কথা শুনি চন্দ্ৰ হতবাক।

কিন্তু চন্দ্ৰই একো কবলৈ নৌপাওঁতেই কুন্তলাই পুনৰ কৈ উঠিল, "মোৰ ইমান যে ভাগৰ লাগিছিল! মোৰ চকুযুৰি যেতিয়া মুদ খাই আহিল, মোক যেতিয়া টোপনিয়ে জোকাই লৈছে, ঠিক তেতিয়াই চিলা এটাই গছজোপাৰ ডালত বহি মণিটো মোৰ ওচৰত পেলাই দিলে। মণি বুলি বুজি পায়ো মই বোটলা নাছিলোঁ।"

"ইমান আপুৰুগীয়া মণি বুলি জানিও বোটলাৰ মন নগ'লনে তোমাৰ!" বণিজাৰ চন্দ্ৰবণিকে সুধিলে।

"কিয় মণি বুটলিম? আমি বাটৰপৰা মণি বুটলিবলৈহে তীৰ্থ লৈ ওলাইছিলোঁনে? মণি বা ধন-ৰত্নক মাটিৰ সমান বুলি গণ্য নকৰিলে পুণ্য আৰ্জিম কেনেকৈ?" মণি-কুন্তলাই ক'লে।

এই কথা শুনি বণিজাৰ চন্দ্ৰবণিক পৰিবাৰৰ পিনেৰ' লাগি চাই ৰ'ল।

আমাৰ দ'ল-দেৱালয়

কাঞ্চীপুৰম্

যজ্ঞ পাতিবলৈ ঠাই বিচাৰি বিচাৰি ব্ৰহ্মাই কাঞ্চীপুৰম্ পালেগৈ। তেতিয়াৰ কালত কাঞ্চীপুৰম্ সত্যব্ৰতক্ষেত্ৰ ৰূপে খ্যাত আছিল। গতিকে ব্ৰহ্মাই ইয়াতে তেওঁৰ যজ্ঞ পাতিবলৈ স্থিৰ কৰিলে।

কিন্তু কাঞ্চীপুৰমত যজ্ঞ পতাটো সৰস্বতীৰ মনঃপূত নাছিল। সৰস্বতীয়ে নৈৰ ৰূপ লৈ বানপানীৰে যজ্ঞস্থলী প্লাৱিত কৰিবলৈ কাঞ্চীপুৰমলৈ ধাৱিতা হ'ল। কিন্তু এই সুতীব্ৰ গতি-প্ৰৱাহক মহাবিষ্ণুৱে নৈৰ গতিপথত পথালিকৈ শুই প্ৰচণ্ড বিক্ৰমৰে বাধা দিলে।



তাৰ পাছত, ব্ৰহ্মাৰ অনুৰোধত মহাবিষ্ণু তাতে অধিষ্ঠিত হৈ ভক্তসৱক বৰ দান কৰিবলৈ ধৰিলে। তাত মহাবিষ্ণুৰ নাম হ'ল বন্যাৰাজস্বামী। সুপ্ৰাচীন কালতে নিৰ্মিত সেই মহাবিষ্ণুৰ আলয় বা মন্দিৰ অদ্যাপি কাঞ্চীপুৰমত বিদ্যমান।



পল্লৱৰাজ ৰাজসিংহ-নিৰ্মিত শ্ৰীকৈলাস-নাথ মন্দিৰ আজিও ভাস্কৰ্য্যশিল্পৰ অপূৰ্ব নিৰ্দশনৰূপে বিৰাজিত। এই মন্দিৰত থকা শিৱলিংগ ষোলফলকৰ পাথৰেৰে নিৰ্মিত। এই মন্দিৰৰ আশে-কাষে সৰ্বমুঠ দুকুৰি ওঠৰটি অপৰূপ মন্দিৰ আছে।

পৰৱৰ্তীকালৰ আন এগৰাকী পল্লৱবংশীয় ৰজা নন্দীবৰ্মাই শ্ৰীবৈকুণ্ঠপেৰুমল নিৰ্মাণ কৰিছিল। এই মন্দিৰটি তিনিমহলীয়া। তিনিও মহলাত বিষ্ণুৰ তিনিবিধৰ মূৰ্তি আছে। মূৰ্তি তিনিবিধ হ'ল—দণ্ডায়-মান, উপবেশিত আৰু শায়িত বিষ্ণু।



কাঞ্চীপুৰমৰ একাম্বৰনাথৰ মন্দিৰ বহু প্ৰাচীনকালৰ। তেতিয়া হেনো ইয়াত এহেজাৰস্তম্ভবিশিষ্ট মণ্ডপ অৰ্থাৎ ৰভাঘৰ আছিল। এই অঞ্চলত অসংখ্য মন্দিৰ নিৰ্মিত হৈছিল। প্ৰতিটো মন্দিৰৰ সুবিশাল আকাৰৰ তোৰণ আছিল।

পাৰ্বতী-পৰমেশ্বৰৰ বিবাহ উপলক্ষ্যে দেৱতা আৰু ঋষিসকল কৈলাসলৈ গৈছিল। তেতিয়া পৰমেশ্বৰে ভাৰত-ভূমিক এক বিশিষ্ট আধ্যাত্মিক ভূমিৰূপে গঢ়ি তুলিবলৈ অগস্ত্যমুনিক দক্ষিণ ভাৰতলৈ যাবলৈ নিৰ্দেশ দিছিল।

পৰমেশ্বৰৰ নিৰ্দেশ মূৰ পাতি লৈ অগস্ত্যমুনিয়ে বিবাহত উপস্থিত থকাৰ অনুমতি প্ৰাৰ্থনা কৰাত, অগস্ত্যৰ ইচ্ছা পূৰণৰ বাবে পাৰ্বতীয়ে কন্যাৰূপে কাঞ্চীপুৰমৰ নদীৰ তীৰত লিংগৰূপী শিৱক একমনে অৰ্চনা কৰিবলৈ ধৰিলে।

পাৰ্বতীক ভয় খুৱাবলৈ শিৱই প্ৰচণ্ড বানপানীৰ সৃষ্টি কৰাত পাৰ্বতীয়ে শিৱলিংগক বুকুৰ মাজত সাৱটি ল'লে। ঠিক সেই মুহূৰ্তত শিৱ আৱিৰ্ভূত হৈ পাৰ্বতীক বিবাহ কৰালে আৰু অগস্ত্য-মুনিয়ে অপূৰ্ব তৃপ্তিৰে শিৱ-পাৰ্বতীৰ বিবাহ স্বচক্ষে দৰ্শন কৰিব পাৰিলে।





লোকশ্ৰুতিমতে, এই মন্দিৰৰ পদূলিমুখত হাজাৰ বছৰতকৈয়ো অধিক প্ৰাচীন আমজোপা থকা বাবেহে হেনো এই মন্দিৰৰ নাম একাম্বৰ মন্দিৰ হ'ল। এই আমজোপা হেনো চাৰিখন বেদৰ প্ৰতীক। আমজোপাত চাৰিবিধৰ সোৱাদযুক্ত আম ওপজে।

আমাৰ দেশৰ সপ্ততীৰ্থৰ এক তীৰ্থ হ'ল কাঞ্চীপুৰম্। আদি শংকৰাচাৰ্য্যসকলো এই কাঞ্চীপুৰমলৈ আহিছিল। হজৰত হামীদ আউলিয়া নামৰ এগৰাকী মুছলমান ধৰ্মগুৰুৱে কাঞ্চীপুৰমক তেওঁৰ নিজৰ বাসভূমি কৰি লৈছিল।



এসময়ত কাঞ্চীপুৰম বৌদ্ধমতালম্বীসকলৰ কেন্দ্ৰস্থান আছিল। সপ্তম শতিকাত হিউৱেন ছাং নামৰ চীনদেশৰ পৰিব্ৰাজকে কাঞ্চীপুৰম্ পৰিদৰ্শন কৰাৰ অন্তত ইয়াত অসংখ্য বৌদ্ধ মঠ থকাৰ কথা লিখিছিল। পৰৱৰ্তীকালত এই বৌদ্ধ মঠসমূহ কালৰ প্ৰভাৱত ধ্বংস হৈছিল বুলি অনুমিত হয়।



কবিতা

বৎসদেশৰ ৰজা বিশাখদত্ত আছিল কবিপ্ৰেমী ৰজা। তেওঁ কবি-সকললৈ সন্মান জ্ঞাপন কৰি নিজেও সন্মানিত বোধ কৰিছিল, আনন্দ লভিছিল। কিন্তু বৎসদেশৰ মহামন্ত্ৰী অক্ৰূৰপ্ৰসাদে ৰজাৰ এই মনোভাৱ ভাল নাপাইছিল। মহামন্ত্ৰী অক্ৰূৰপ্ৰসাদৰ ধাৰণা, দুনিয়াৰ কোনো কাম-বন কৰিব নজনাইহে কবি হয়।

মহামন্ত্ৰী অক্ৰূৰপ্ৰসাদে মাজে-মধ্যে ৰজাক কৈছিল, "কবিহঁতৰ বাবে ধন খৰচ কৰা অৰ্থহীন, মহাৰাজ! কবিতাৰে দেশৰ ৰাইজৰনো কি উপকাৰ হৈছে? বৰঞ্চ কবিমখাৰ কাৰণে ৰাজকোষৰ তলি উদংহে হৈছে দিনে দিনে।"

কবিসকলৰ প্ৰতি যথেষ্ট অনুৰাগ থকা সত্বেও ৰজা বিশাখদত্তই তেওঁৰ মহামন্ত্ৰীৰ কথাতো গুৰুত্ব দিছিল কেতিয়াবা কেতিয়াবা। মনৰ ইচ্ছা মনতে সামৰি কবিসকললৈ সক্ৰিয় সন্মান প্ৰদৰ্শন বন্ধ কৰিবলৈ বাধ্য হৈছিল কেতিয়াবা। পৱিত্ৰ মনক অপৱিত্ৰ ধনে দমাই দিছিল।

এদিন চন্দ্ৰায়ণ নামৰ এগৰাকী যুৱক কবিয়ে নিজৰ নাম-ধাম-পৰিচয় আদি প্ৰদান কৰি ক'লেহি, "মহাৰাজ, আপোনাৰ ককাৰ শাসনকালত ৰাজসভাত সুধাকৰ ভট্ট নামৰ যিগৰাকী কবি আছিল, মই তেওঁৰ নাতি। ৰজাৰপৰা ধনপ্ৰাপ্তি বন্ধ হোৱাত আমি বৰ বেয়া অৱস্থাত পৰিছোঁ। ময়ো কবি, মুখে মুখে কবিতা ৰচিব পৰা হৈছোঁ। মোৰ ক্ষমতাৰ প্ৰমাণ দি আপোনাৰ আশ্ৰয় পাম বুলি আহিছোঁ।"

কমল কলিতা



ধৰিব পাৰিলাহেঁতেন।”

অক্ৰূৰপ্ৰসাদৰ ক্ৰূৰ কথা শুনি বিস্মিত বিব্ৰত চন্দ্ৰায়ণে নম্ৰভাৱে ক'লে, “মই যে জীৱিকাৰ কাৰণে আমাৰ ৰজাৰ কাষ চাপিছোঁ, সেই কথাত সন্দেহ নাই। কিন্তু মই যিহেতু, কবি, সেইহেতুকে মোৰ এই গুণৰ যোগেদি ৰাজাশ্ৰয় লাভ কৰাৰ চেষ্টাত কিবা অন্যায় দেখেনে? তথাপি, মহাৰাজে যদি মোক আন কিবা কাম কৰিবলৈ কয়, নকৰোঁ বুলি নকওঁ।”

ৰজা বিশাখদত্তই চন্দ্ৰায়ণৰ কথাত ভাল পাই মহামন্ত্ৰীক ক'লে, “মহামন্ত্ৰী, মোৰ ককাৰ দিনৰ কবিগৰাকীৰ প্ৰতি সম্মান প্ৰদৰ্শনাৰ্থে এই যুৱকক মোৰ অধীনত যিকোনো কামত নিযুক্ত কৰা হওক—এয়ে মোৰ আন্তৰিক ইচ্ছা।”

মহামন্ত্ৰী অক্ৰূৰপ্ৰসাদ কেইখন্তেকমানলৈ তাপ মাৰি থকাৰ পাছত লাহেকৈ ক'লে, “মহাৰাজৰ নিৰ্দেশ নিশ্চয় পালিত হ'ব। আমাৰ ঘোঁৰাশালৰ ঘোঁৰাবিলাকৰ গা ধুই দিয়াৰ মানুহজন সাতদিনমানৰ আগতে মৰিল। সেই পদটো এতিয়াও খালী হৈ আছে। যদি যুৱকে বেয়া নাপায়—এই পদত তাক নিযুক্ত কৰিব পাৰি।” এগৰাকী কবিক এইদৰে অপমান কৰাৰ সুযোগ পাই অতি ক্ৰূৰ অক্ৰূৰ-

বিশাখদত্তই ভাবিলে: মোৰ ককাৰ আমোলৰ ৰাজকবিৰ নাতি এতিয়া দীনহীন! তথাপি কবিতাক এৰা নাই, কবিতাৰ ধাৰ এওঁলোকৰ তেজত প্ৰবাহিত!

ৰজাই চন্দ্ৰায়ণক কিবা ক'বলৈ ধৰোঁতেই মহামন্ত্ৰী অক্ৰূৰপ্ৰসাদে কৈ উঠিল, “সুধাকৰ ভট্ট ৰাজকবি হিচাপে কিমান যে বিখ্যাত আছিল, সেই কথা আমি নজনা নহওঁ। গছৰ নাম লৈ ফল বেচাৰ চেষ্টা অৱশ্যে বহুতেই কৰে, নকৰা নহয়; কিন্তু তোমৰ দৰে লৰি-চৰি থকা চফল ডেকা এটাই ঢেঁকীশাল টোকাইঁতৰ দৰে কবিতাত নধৰি আন কামতো দেখোন

প্ৰসাদে পৰম আত্মপ্ৰসাদ লভিলে।

মন্ত্ৰী অক্ৰূৰপ্ৰসাদৰ ক্ৰূৰ কথাত অলপো বিচলিত নহৈ চন্দ্ৰায়ণে ক'লে, "শ্ৰমৰ অৰ্থ হ'ল দেৱাৰ্চ্চনা। শ্ৰম দুবিধৰ —দৈহিক আৰু মানসিক; আৰু যিকোনো বিধৰ শ্ৰমকে মই সন্মানজনক বুলি ভাবোঁ।"

চন্দ্ৰায়ণৰ কথা শুনি মহামন্ত্ৰীয়ে কৈ উঠিল, "মহাৰাজ, মোৰ ধাৰণা, এই যুৱক সাধাৰণ যুৱক নহয়। আপোনাৰ অধীনত যিকোনো চাকৰি লৈ নিশ্চয় কিবা ষড়যন্ত্ৰ-চক্ৰান্ত কৰালৈ ছেগ চাই আছে। মহাৰাজৰ অনুমতি পালে কওঁ।"

ৰজা বিশাখদত্তই যুৱকলৈ এপলক চাই ল'লে, আৰু মহামন্ত্ৰীক তেওঁৰ বক্তব্য ক'বলৈ ক'লে।

মহামন্ত্ৰী অক্ৰূৰপ্ৰসাদে ৰজাক ক'লে, "মহাৰাজ, ঘোঁৰাৰ গা ধুউৱাৰ চাকৰি লৈ এই যুৱকে আন দেশৰ ৰজাৰ আগত আপোনাক এই বুলি হেয় প্ৰমাণ কৰিব যে—বৎসদেশৰ ৰজাই কবিসকলক ঘোঁৰাৰ গা ধোৱাৰ কামত নিযুক্ত কৰে—ৰজা বিশাখদত্ত ইমানেই নীচমনা ৰজা। কিবা ধৰণৰ বেয়া উদ্দেশ্য নাথাকিলেনো কোনোবা ৰাজকবিৰ নাতিয়েৰে এনে নিম্নখাপৰ কাম ল'ব কিয়?"

এই কথা শুনি চন্দ্ৰায়ণৰ খং উঠিল। কিন্তু তথাপি চন্দ্ৰায়ণে শান্ত কণ্ঠেৰে ক'লে, "মহাৰাজ, মই কবি, কবিৰ প্ৰাপ্য



ল'বলৈহে মই আপোনাৰ কাষ চাপিছিলোঁ। —কিন্তু নহ'ল। সকলো কথা জানি-বুজি মহামন্ত্ৰী ডাঙৰীয়াই মোক কিয় ঘোঁৰা-শালৰ কৰ্মী হিচাপে কামত নিযুক্ত কৰিব খুজিছিল, তেওঁহে ক'ব পাৰিব। পিছে—সেই চাকৰি ল'বলৈ সন্মত হোৱাত মোৰ কিন্তু সৎ উদ্দেশ্য আছিল।"

"তোমাৰ সেই সৎ উদ্দেশ্যনো কি?" অক্ৰূৰে ক্ৰূৰ কণ্ঠেৰে ক'লে।

"মহাৰাজ বিশাখদত্তৰ দেশত ঘোঁৰাৰ গা ধুউৱা মানুহ এজনেও উচ্চমানৰ কবিতা লিখিব পাৰে, মুখে মুখে কবিতা ৰচিব পাৰে—এই কথা দেশ-বিদেশত প্ৰচাৰ হ'লে বৎসদেশৰ তথা বৎসদেশৰ মহাৰজাৰ গৌৰৱ বৃদ্ধিহে পাব—এই বিশ্বাসেৰে অনুপ্ৰাণিত হৈহে সেই কামক ল'বলৈ মই সন্মত হৈছিলোঁ।" চন্দ্ৰায়ণে ক'লে।

এই কথা শুনি মহামন্ত্ৰী অক্ৰূৰ অঁকৰা যেন হৈ পৰিল। তেওঁৰ মুখৰপৰ মাতেই নোলোৱা হ'ল। মহামন্ত্ৰীৰ মুখত লোকাম পিন্ধোৱাৰ পাছত চন্দ্ৰায়ণে পুনৰ ক'লে, "কবিসকলৰ প্ৰতি আমাৰ মাননীয় মহামন্ত্ৰীৰ এনে হীন মনোভাৱৰ হেতু যি কি—তেওঁহে জানে। কৃষিকাৰ্য্য ব্যৱসায়-বাণিজ্য, বিভিন্ন শিল্পকৰ্মৰ যোগে এখন দেশৰ উন্নতিৰ পৰিচয় পোৱাৰ দৰে কবিতায়ো এখন দেশৰ উৎকৰ্ষতা দাঙি ধৰিব পাৰে। দেহৰ কাৰণে খাদ্য ৰদৰে মনৰ কাৰণে কবিতাৰো আৱশ্যক আছে।"

তেতিয়া মহামন্ত্ৰীয়ে ক'লে, "চন্দ্ৰায়ণ, তুমি বয়সত মোতকৈ সৰু, কিন্তু বিদ্যা-বুদ্ধিত ঢেৰ ডাঙৰ। মোৰ ইমানদিনৰ বিৰাট ভুল ধাৰণা আজি তুমিহে সংশোধন কৰি দিলা। তোমাৰ ওচৰত মই ওৰে জীৱনলৈ ধৰুৱা হৈ থাকিলোঁ।"

পৰম সন্তোষিত হৈ ৰজা বিশাখদত্তই তেতিয়াৰেপৰাই চন্দ্ৰায়ণক ৰাজ-কবিৰ মৰ্য্যাদাৰে ভূষিত কৰিলে।



উত্তৰাকাণ্ড ৰামায়ণ

২

মহৰ্ষি অগস্ত্যই শ্ৰীৰামচন্দ্ৰক ক'লে যে, সুকেশৰ পুত্ৰসৱে—মাল্যৱন্ত, মালী, সুমালী আদিয়ে—সস্ত্ৰীক, পুত্ৰ-কন্যা-সকলৰে সৈতে লংকাপুৰীত বসবাস কৰিছে, আৰু ব্ৰহ্মাৰপৰা বৰ লাভ কৰি, অহংকাৰেৰে ওফন্দি, তিনিও লোকত অত্যাচাৰ কৰি ফুৰিছে। তাৰ পাছত মহৰ্ষি অগস্ত্যই পুনৰ ক'লে ঃ

*

ৰাক্ষসহঁতৰ অত্যাচাৰ সহিব নোৱাৰি দেৱতা আৰু ঋষিগণে মহেশ্বৰক ক'লেগৈ, "হে জগতৰক্ষক, সুকেশৰ পুত্ৰহঁতে ব্ৰহ্মাৰ-পৰা বৰ লাভ কৰি তিনিও লোকতে, বীভৎস অত্যাচাৰ কৰি ফুৰিছে। সিহঁতে স্বৰ্গৰপৰা দেৱতাসকলক বিতাড়িত কৰি স্বৰ্গ অধিকাৰ কৰিলে। ঋষিগণে আশ্ৰমত তিষ্ঠিব নোৱৰা হৈছে। সিহঁতে তেওঁলোকৰ যাগযজ্ঞ ধ্বংস কৰিছে। ব্ৰহ্মা, ৰুদ্ৰ, বিষ্ণু, ইন্দ্ৰ, যম, বৰুণ, চন্দ্ৰ, সূৰ্য্য—সিহঁতে এওঁলোকৰ কাকো নমনা হৈছে। সদায় সকলোতে সকলোটিৰ বিৰুদ্ধে যুদ্ধ কৰিছে। হে ত্ৰাণকৰ্তা, আমাক অনুগ্ৰহ কৰক, আমাক বচাওক। ৰাক্ষসৰ অত্যাচাৰৰপৰা আমাক ৰক্ষা কৰক।"

*

সুকেশৰ প্ৰতি মহেশ্বৰৰ অলপ দুৰ্বলতা আছিল। মহেশ্বৰে ক'লে, "হে দেৱতা আৰু ঋষিগণ! এই ৰাক্ষসহঁতক বধ কৰা

মোৰ সাধ্যৰ অতীত। একমাত্ৰ বিষ্ণুৰেহে ইহঁতক বধিব পাৰিব। আপোনালোক বিষ্ণুৰ কাষ চাপক, তেওঁ নিশ্চয় এনে বিপদত সহায় কৰিব।”

*

দেৱতা আৰু ঋষিগণে বিষ্ণুকো সকলো কথা বুজাই ক'লে। বিষ্ণুৰে ক'লে, “মই সুকেশ আৰু তাৰ পুত্ৰহঁতক ভালকৈ চিনি পাওঁ। সিহঁতৰ জঘন্য কাৰ্য্যকলাপ অসহ্য। মই কথা দিলোঁ, সিহঁতক মই সংহাৰ কৰিমেই।”

*

দেৱতা আৰু ঋষিসকল শিৱ আৰু বিষ্ণুৰ ওচৰলৈ যোৱাৰ সম্বাদ লংকাপুৰীৰ ৰাক্ষসহঁতে নোপোৱাকৈ নাথাকিল। মাল্যৱন্তই তাৰ ভায়েকহঁতক ক'লে, “দেৱতাহঁতে আমাক বধ কৰিবলৈ উঠি-পৰি লাগিছে। সিহঁতে শিৱকো অনুৰোধ কৰিছিলগৈ আমাক হত্যা কৰিবলৈ, পিছে—শিৱ সন্মত নহ'ল। কিন্তু বিষ্ণুৰে আমাক বধ কৰাৰ প্ৰতিশ্ৰুতি দিলেই যেতিয়া, নিশ্চয় কিবা-নহয়-কিবা কৰিহে এৰিব। গতিকে আমি কেনেকৈ কি কৰিম তাৰ এটা কৌশল স্থিৰ কৰিব লাগিব। বিষ্ণুৰে যি কয়—ছলে-বলে-কৌশলে কথা মতে কামো কৰে। হিৰণ্য-কশিপুৰ দৰে শক্তিশালী ৰাক্ষসকো বিষ্ণুৰে কৌশলেৰে মাৰি পেলাইছিল। বহু ধৰণৰ বৰ প্ৰাপ্ত হোৱা দিব্যাস্ত্ৰৰ অধিকাৰী শক্তিশালী ঐন্দ্ৰজালিককো বিষ্ণুৰে যে বধ কৰিছিল—সেই কথাটো মনত ৰাখিহে আমাৰ সকলো কৰ্তব্য স্থিৰ কৰিব লাগিব।”

*

মাল্যৱন্তৰ কথাৰ উত্তৰত মালি-সুমালীয়ে যি ক'লে তাৰ মৰ্মাৰ্থ হ'ল:

*

আমি মূৰ্খ নহওঁ। সুপণ্ডিত। আমি বহুতো যজ্ঞ কৰিলোঁ, দান-ধৰ্মো ঢেৰ

কৰিলোঁ। আমি অনন্ত ঐশ্বৰ্য্যৰ গৰাকী। অতীতত বহুতো ক্ষমতাশালী শত্ৰুক আমি পৰাজিত কৰিলোঁ, এতিয়াও কৰি আছোঁ। বিষ্ণু, ৰুদ্ৰ বা ইন্দ্ৰও আমাৰ আগত অতি তুচ্ছ, আমাক দেখা মাত্ৰেই সিহঁত ধাৰৰ নল কঁপাদি কঁপে। বিষ্ণুৱে আমাৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰাৰ কৰাৰ হেতু নাই। সম্ভৱতঃ, দেৱতা আৰু ঋষিহঁতে বিষ্ণুক উত্তেজিত কৰাতহে বিষ্ণুৱে তেনেকৈ বলকিছে। এতিয়া আমাৰ বাহিনীৰে সৈতে দেৱলোকলৈ গৈ, দাম্ভিক দেৱতা-হঁতক সমুচিত শিক্ষা দান কৰাহে আমাৰ পৱিত্ৰ কৰ্তব্য হ'ব।"

*

যেন কথা তেন কাম, সিহঁত গ'লগৈ স্বৰ্গধাম। লংকাৰপৰা লৈ গ'ল ৰথ, হস্তী, অশ্ব, উট আৰু ৰাক্ষসৰ বিপুল বাহিনী। নেতৃত্বত থাকিল মালী। বিপুলসংখ্যক ৰাক্ষস লংকাপুৰী এৰি যোৱাত লংকাপুৰী শ্মশানপুৰী যেন হ'ল।

*

ৰাক্ষসহঁত দেৱলোকলৈ বুলি ৰাওনা কৰাৰ বাতৰি পাই বিষ্ণুৱে ঝকঝক্ কৰচ ধাৰণ কৰি ধনু, কাঁড়, শংখ, চক্ৰ, গদা-খড়্গ আদিৰে সৈতে গৰুড় বাহনত উঠি তৎক্ষণাৎ দেৱলোক পালেগৈ।

আৰু লগে লগে প্ৰচণ্ড যুদ্ধ লাগি পৰিল। বিষ্ণুৱে কাঁড়েৰে আৰু চক্ৰেৰে বহু সংখ্যক ৰাক্ষসক বধ কৰিলে। কিন্তু মালীয়ে হঠাৎ বিষ্ণুৰ বাহন গৰুড়ৰ মস্তকত প্ৰচণ্ড জোৰেৰে আঘাত কৰিলে। তেতিয়া বিষ্ণুৱে যুদ্ধক্ষেত্ৰ এৰি পলাই যোৱাৰ কথা ভাবিবলৈ বাধ্য হ'ল। কিন্তু পাছ মুহূৰ্ততে বিষ্ণুৱে তেওঁৰ সুদৰ্শন চক্ৰেৰে মালীৰ ডিঙি ঘচংকৈ কাটি পেলালে।

মালীৰ মৃত্যুৰ ফলত ৰাক্ষস-বাহিনীৰ মনৰ বল টুটিল। সুমালী আৰু মাল্যৱন্ত যুদ্ধক্ষেত্ৰ এৰি পলাই যাবলৈ ধৰিলে। বিষ্ণুৱে সিহঁতক বধ কৰাৰ চেষ্টা কৰাত



মাল্যৱন্তই বিষ্ণুক ক'লে, "তুমি দেখোন ক্ষাত্ৰধৰ্মও নমনা হ'ল! কিন্তু যুদ্ধৰো নীতি নথকা নহয়। যুদ্ধক্ষেত্ৰ এৰি পলাই যোৱাহঁতক যে মাৰিব নাপায়, সেই কথাটোও তুমি নাজানানে? এয়েনে তোমাৰ বীৰত্বৰ পৰিচয়? উত্তম, তোমাৰ যদি ইমানেই বীৰত্ব, মোৰ সৈতে যুদ্ধ কৰাচোন চাওঁ?" এই বুলি কৈ, মাল্যৱন্ত বিষ্ণুৰ মুখামুখি হৈ যুদ্ধ কৰিবলৈ সদৰ্পে থিয় হ'লগৈ।

বিষ্ণুৱে ক'লে, "তোমালোক ইয়াৰপৰা য'লৈকে পলাই নোযোৱা লাগিলে—আনকি পাতাললৈ গ'লেও তোমলোকক মই বধ কৰিমেই। মই প্ৰতিশ্ৰুতিবদ্ধ।"

*

দুয়ো যুদ্ধলিপ্ত হ'ল। মাল্যৱন্তই বিষ্ণুৰ বাহন গৰুড়ক আৰু বিষ্ণুকো বাৰে বাৰে আঘাত কৰি থাকিল। এসময়ত গৰুড়ে প্ৰচণ্ড জোৰেৰে ডেউকা কোবোৱাত যি প্ৰবল বায়ুৰ সৃষ্টি হ'ল, সেই বায়ুৱে মাল্যৱন্তক সুদূৰ আকাশলৈ উৰুৱাই লৈ গ'ল। আৰু এই দৃশ্য দেখি সুমালীয়ে তৎক্ষণাৎ লংকালৈ বুলি লৰ ধৰিলে। মাল্যৱন্তয়ো পাছত লংকালৈ পলাই যাব পাৰিছিল; কিন্তু যুদ্ধত বেয়াকৈ পৰাজিত হোৱাৰ বিৰাট গ্লানি একোপধ্যে মচি পেলাব নোৱাৰিলে।

*

তাৰ পাছত বিষ্ণুৱে লংকাপুৰী আক্ৰমণ কৰি বহু বীৰ ৰাক্ষসক মাৰি পেলালে। বহু সংখ্যক ৰাক্ষস পত্নী-পুত্ৰ-কন্যাহঁতৰে সৈতে পাতাললৈ গুচি গ'ল। মাল্যৱন্তক বিষ্ণুৱে বধ কৰিছিল। সুমালী পাতালৰ অধিবাসী হৈছিলগৈ।

*

তাৰ পাছত বিশ্ৰবসু লংকাপুৰীলৈ উভতি গ'ল। কুবেৰে লংকাত নিগাজীকৈ বাস কৰিবলৈ ধৰিলে।

কিছু কালৰ পাছত সুমালীয়ে তাৰ

অন্যতমা কন্যা কৈকসিক লগত লৈ পাতালৰপৰা ভূলোকলৈ ফুৰিবলৈ আহি কুবেৰৰ বিপুল ঐশ্বৰ্য্য দেখি ভাবি থাকিল ঃ কেতিয়ানো আমি পুনৰ এনেহেন ঐশ্বৰ্য্যবান হ'ম ?

সুমালীয়ে তাৰ কন্যা কৈকসিক ক'লে, "আই, তোক বিবাহ কৰাবলৈ বহুতেই আগ্ৰহী। তথাপি কওঁ, তই যদি কুবেৰক বিবাহ কৰাৱ, তোৰ গৰ্ভতো কুবেৰৰ নিচিনা পুত্ৰসন্তান জনমিব আৰু মোৰো গৌৰৱ হ'ব।"



পিতৃৰ গৌৰৱ ৰক্ষাৰ্থে পুত্ৰীয়ে—য'ত বিশ্ৰবস্বুৱে বহি তপস্যা কৰি আছিল, তালৈ গ'ল। বিশ্ৰবস্বুৱে তেতিয়া অগ্নিদেৱতাৰ তপস্যা কৰি আছিল। পূৰ্ণচন্দ্ৰহেন সুন্দৰী কৈকসিক তাত দেখা পাই বিশ্ৰবস্বুৱে সুধিলে, "হে সুন্দৰী, তুমি কাৰ কন্যা ? তুমি কিয় ইয়ালৈ আহিলা ? মোৰ প্ৰশ্ন দুটাৰ সত্য উত্তৰ দিবা।"

কৈকসিয়ে হাতযোৰ কৰি ক'লে, "হে মুনিশ্বৰ, আপুনি তপস্যাৰ বলেৰে সকলো কথা জানিব পাৰিব। মই মোৰ পিতৃৰ নিৰ্দেশমতে ইয়ালৈ আহিলোঁ। মোৰ নাম কৈকসি।"

"বুজি পাইছোঁ।" এই বুলি কৈ, বিশ্ৰবস্বুৱে কৈকসিক নিয়ম-নীতিমতে বিবাহ কৰালে আৰু ক'লে, "তুমি সন্তানপ্ৰাপ্তিৰ বাবে ৰাক্ষসলগ্নত এই ঠাই পাইছিলাহি। এতেকে—তোমাৰ গৰ্ভজাত সন্তান ৰাক্ষসেই হ'ব, আৰু সিহঁত হ'ব অতি নিষ্ঠুৰ।"

"কিন্তু আপোনাৰ নিচিনা তাপসৰ ঔৰসত ৰাক্ষস উপজিবনে ? অনুগ্ৰহ কৰি সুসন্তানৰ বাবে চেষ্টা কৰক।" কৈকসিৰ কাতৰ অনুৰোধৰ ফলত বিশ্ৰবস্বুৱে হাঁহি মাৰি ক'লে, "তথাস্তু। মই তোমাক এই বৰ দিছোঁ, তোমাৰ শেষ সন্তানটিয়ে বংশৰ গৌৰৱ তথা মৰ্য্যাদা বৃদ্ধি কৰিব।"

কিছু কালৰ অন্তত কৈকসিৰ এটি



পুত্ৰ উপজিল। ই দেখাত ৰাক্ষস। তাৰ মূৰ আছিল দহটা। গাৰ বৰণ কেতৰ ক'লা। ওঁঠযুৰি তেজবৰণীয়া। মুখখন আছিল বিৰাট আকাৰৰ। বিশ্ৰৱনৰে তাৰ নাম দিলে—দশগ্ৰীৱ।

*

এই দশগ্ৰীৱেই হ'ল পৰৱৰ্তীকালৰ ৰাৱণ। তাৰ পাছত জনমিল কুম্ভকৰ্ণ। তাৰ পাছত সূৰ্পনখা।

আৰু সৰ্বশেষত জন্ম হ'ল বিভীষণৰ। বিভীষণ আছিল সত্যবাদী।

*

ৰাৱণ আৰু কুম্ভকৰ্ণ অৰণ্যত ডাঙৰ-দীঘল হৈ থাকিল। অলপ ডাঙৰ হোৱাৰ অন্তত সিহঁতে ওচৰে-পাঁজৰে অত্যাচাৰ কৰি থাকিল। কুম্ভকৰ্ণ ই মুনি-ঋষিসকলক ধৰি ধৰি খাবলৈ ধৰিলে। একমাত্ৰ ব্যতিক্ৰম বিভীষণ। বিভীষণে জ্ঞান-ধৰ্মৰ বাটেৰে জীৱনযাপন কৰি থাকিল।

*

এদিন পুষ্পক ৰথত উঠি কুবেৰ আহিল দেউতাক চাবলৈ। তেতিয়া কুবেৰৰ ঐশ্বৰ্য্যৰ কথা কৈ—কৈকসিয়ে তেওঁৰ জ্যেষ্ঠপুত্ৰ ৰাৱণক ক'লে, "তোমাৰ ককায়েৰ কুবেৰৰ ঐশ্বৰ্য্যৰ কথা শুনিলা। তুমিও একেজন পিতৃৰ সন্তান। তুমি যদি কুবেৰৰ দৰে ঐশ্বৰ্য্যলাভ কৰিব পাৰা, মই সুখী হ'ম।"

ৰাৱণে তৎক্ষণাৎ তাৰ মাতৃকা ক'লে, "মা, মই ককাইদেউতকৈয়ো ঢেৰ অধিক সম্পদৰ গৰাকী হ'ম, এই কথা তোমাক শপত খাই ক'লোঁ।"

ৰাৱণৰ লগত কুম্ভকৰ্ণও একমত হ'ল। এই সংকল্প কৰাৰ পাছত ভায়েকহঁতক লগত লৈ ৰাৱণ গোকৰ্ণ আশ্ৰমলৈ গ'ল আৰু তাত ঘোৰ তপস্যাত মগ্ন হ'ল। ৰাৱণৰ লগত কেৱল কুম্ভকৰ্ণেয়েই নহয়, বিভীষণো তালৈ গৈছিল।

আনকি এটুপি পানী বা কোনো ধৰণৰ খাদ্য নোখোৱাকৈয়েই ৰাৱণে দহ

বছৰ ধৰি কঠোৰ তপস্যা কৰিলে। ৰাৱণে এহাজাৰ বছৰৰ বাদে বাদে নিজৰ মস্তক এটাকৈ কাটি লৈ সেই মস্তক অগ্নিকুণ্ডলৈ বিসর্জিবলৈ ধৰিলে।

*

এইদৰে- যেতিয়া ন'টা মস্তক বিসর্জন দিয়া হৈ গ'ল, আৰু মাত্র এটা মূৰ বাকী থাকিল, তেতিয়াও ৰাৱণে ঘোৰ তপস্যা চলাই থাকিল।

*

দহ হাজাৰ বছৰ পূর্ণ হোৱাৰ অন্তত যিমুহূর্তত ৰাৱণে তেওঁৰ শেষ মস্তকটো কাটিবলৈ ল'লে, ঠিক তৎমুহূর্তে ব্রহ্মাই ক'লেহি, "হে দশগ্রীৱ, তোমাৰ সুকঠিন তপস্যাই মোক মুগ্ধ কৰি পেলাইছে। তুমি যি বৰ খুজিবা, মই দিম।"

দশগ্রীৱ ৰাৱণে পৰম আনন্দৰে ব্রহ্মাক ক'লে "ককা, প্রাণতকৈ ডাঙৰনো আৰু কি আছে? মোক দিবা যদি—মৃত্যুহীন হোৱাৰ বৰ দিয়ঁ।"

"বোপা, এনেকুৱা বৰ তো দিব নোৱাৰিম। তুমি আন কিবা বৰ খুজি লোৱা।" ব্রহ্মাই দশগ্রীৱক ক'লে।

"আন কোনো প্রাণীলৈ মই ভয় নকৰোঁ। কেৱল—সুপর্ণ নাগ, যক্ষ, দৈত্য, দানৱ, ৰাক্ষস, দেৱতা আদিয়ে মোক বধিব নোৱাৰে যেন। মানুহক মই তৃণাদপি তুচ্ছ জ্ঞান কৰোঁ।" ৰাৱণে ক'লে।

*

তেতিয়া ব্রহ্মাই ৰাৱণক ৰাৱণৰ প্রার্থিত বৰ দান কৰিলে। সেই বৰ পোৱাৰ মুহূর্ততে ৰাৱণৰ ন'টা মুণ্ড পুনৰ যোৰা লাগি গ'ল। তেতিয়া তেওঁ হৈ পৰিল দশানন বা দহমুণ্ড ৰাৱণ।

*

ব্রহ্মাই বিভীষণকো বৰ খুজি ল'বলৈ ক'লে। বিভীষণে ব্রহ্মাক ক'লে, "মই ধর্মৰ বাটেৰে জীৱন কটাব পাৰোঁ যেন আৰু প্রয়োজনে উপস্থিত হ'লে ব্রহ্মাস্ত্র

পাওঁ যেন—এই বৰ দিয়া।" ব্ৰহ্মাই বিভীষণক তেওঁৰ প্ৰাৰ্থিত বৰৰ উপৰিও অমৰত্ব লাভৰ বৰ দিলে।

*

তাৰ পাছত কুম্ভকৰ্ণৰ পাল পৰিল। দেৱতাসকলে ব্ৰহ্মাক ক'লে, "হে পৰম ব্ৰহ্ম, কুম্ভকৰ্ণক একো বৰ নিদিব। নন্দনবনত বিহাৰ কৰোঁতে কুম্ভকৰ্ণ ই সাতজনী অপ্সৰাক খাইছিল। তাৰোপৰি, মুনি-ঋষি কিমানক যে খালে তাৰ সীমা-সংখ্যা নাই। ইয়াক একেপধ্যে বৰ নিদিব। দয়া কৰক। আপুনি আমাক ইয়াৰ কবলৰপৰা অনুগ্ৰহ কৰি ৰক্ষা কৰক। বচাওক"

*

ব্ৰহ্মাই তেতিয়া সৰস্বতীক সুঁৱৰিলে। সৰস্বতী উপস্থিত হ'লহি। তেতিয়া ব্ৰহ্মাই কুম্ভকৰ্ণক সুধিলে, "তোমাক কি বৰ লাগে তুৰন্তে কোৱা মই এই ঠাইত আৰু অধিক সময় বৈ থাকিব নোৱাৰিম।"

*

সৰস্বতীয়ে কুম্ভকৰ্ণৰ মগজুত কুবুদ্ধি সুমুৱাই দিয়াত সেই কুবুদ্ধিৰ প্ৰভাৱৰ ফলত কুম্ভকৰ্ণই ক'লে, "বছৰৰ পাছত বছৰ একেৰাহে টোপনি মাৰিবপৰা বৰ মোক লাগে।"

ব্ৰহ্মাই 'তথাস্তু' বুলি কৈ, তৎমুহূৰ্ততে সেই ঠাইৰপৰা বেগাই অদৃশ্য হ'ল।

*

পাছমুহূৰ্ততে সৰস্বতীয়ে তেওঁৰ কুবুদ্ধি উঠাই ল'লে। তেতিয়া কুম্ভকৰ্ণ ই নিজক নিজে ক'লে, "ছিঃ ছিঃ। এয়ানো মই কি বৰ খুজি ল'লোঁ! দেৱতাইঁতে নিশ্চয় কিবাপ্ৰকাৰে মোক ছলিলে।"

*

তাৰ পাছত, ৰাৱণ, কুম্ভকৰ্ণ আৰু বিভীষণে শ্লেষাত্মক নামৰ মহাৰণ্যত বসবাস কৰিববৈলে ধৰিলে।



বিশ্লেষণ

জীয়েকৰ কাৰণে যোগ্য দৰা বিচাৰি দহিগাঁৱৰ দানীৰাম বীৰপুৰ আৰু ৰামপুৰলৈ গ'ল। তাৰপৰা উভতি অহাৰ পাছত, জীয়েকৰ মতামত জানিবলৈ দানীৰামে তেওঁৰ জীয়েকক ক'লে, "আই, বীৰপুৰীয়া পাত্ৰ দেখাত ভাল, পাত্ৰৰ বন্ধু-বান্ধৱো ভাল বুলি শুনিলোঁ; পিছে—পাত্ৰৰ আত্মীয়-স্বজনসকল হেনো সিমান ভাল নহয়। তাৰ পাছত ৰামপুৰলৈ গ'লোঁ। তাত যি পাত্ৰৰ সন্ধান পালো—সেই পাত্ৰ আৰু সিহঁতৰ পৰিয়ালৰো সকলোটি ভাল। পিছে—পাত্ৰৰ বন্ধুহঁত হেনো বেয়া। সিহঁতে কৰিব নোৱৰা কাম হেনো নায়েই। এতিয়া কোৱাচোন—তোমাৰ মতে কোনজন পাত্ৰ ভাল? বীৰপুৰীয়ানে ৰামপুৰীয়া?" কথাষাৰ কৈ, উত্তৰৰ কাৰণে জীয়েকৰ মুখলৈ চাই ৰ'ল দানীৰামে।

"বীৰপুৰীয়া পাত্ৰহে ভাল হ'ব চাগে'।" ছোৱালীজনীয়ে ক'লে।

"কিয়, ৰামপুৰীয়াইনো কি জগৰ লগালে? ৰামপুৰীয়া পাত্ৰও ভাল, সিহঁতৰ পৰিয়ালৰো সকলোটি ভাল-দেখোন!" দানীৰামে ক'লে।

"দেউতা, আত্মীয়-স্বজন জন্মসূত্ৰে পোৱা যায়। কিন্তু বন্ধু-বান্ধৱ—মানুহ চাইহে হয়। সেয়েহে, পাত্ৰৰ বন্ধুহঁত যদি বেয়া—পাত্ৰও নিজেও বেয়া হোৱাৰে সম্ভাৱনা।" ছোৱালী-জনীয়ে স্পষ্টকৈ কৈ দিলে।

জীয়েকৰ বিশ্লেষণ তথা মতামত শুনি দানীৰামৰ মনৰ দৰে-ভাওৱে মিলিল।





ধৰ্ম

চান্দেৰী গাঁৰত ধৰ্মদাস নামৰ এজন ঘোঁৰা-বাগীৰ চালক আছিল। গাঁৰৰপৰা নগৰলৈ যাওঁতে চান্দেৰী আৰু আন গাঁৰৰ ৰাইজে ধৰ্মদাসৰ বাগীত উঠি গৈছিল।

*

এবাৰ ধৰ্মদাসে চান্দেৰী গাঁৰৰ কিছুমান মানুহক নগৰলৈ লৈ গ'ল আৰু মানুহখিনিক নগৰত নমাই থৈ পুনৰ গাঁওমুৰা হ'ল।

ওভতোঁতে, বাটত নন্দৰ লগত ভেটাভেটি হ'ল। নন্দই ধৰ্মদাসক সুধিলে, "ধৰ্মকাই, গাঁৱলৈ যোৱানে কি?"

ধৰ্মদাসে মূৰ দুপিয়ালে। লগে লগে নন্দই তাৰ লগত থকা টোপোলাটাপলি-বিলাক গাড়ীৰ আগ ফালত থৈ, হাতত মোনা এটা লৈ, পিছ ফালত উঠি বহিল। বহি ধৰ্মদাসক ক'লে, "আজি আদায়-উচুল কৰোঁতে সাঁজ লাগিল। গাড়ী এখনলৈ বাট চাই চাই বহুতোপৰলৈকে ৰৈ আছোঁ। আৰু তাৰ পাছত তোমাক দেখা পাই ইমান যে ভাল লাগি গ'ল।"

*

আৰু অলপমান আগুৱাই যোৱাৰ পাছত ছিদামে হাত দাঙি গাড়ীখন ৰখালে। ছিদাম হ'ল গেলামালৰ বেপাৰী। সি আনন্দেৰে ক'লে, "ধৰ্মদাস, একেবাৰে সঠিক সময়ত তুমি ওলালাহিহে! মাল-বস্তু কিনোতে ইমান গধুৰ বোজা হ'ব বুলি ভবাই নাছিলোঁ।" এই বুলি কৈ, চাৰিটা টোপোলা গাড়ীৰ অ'ত ত'ত থৈ, টকাৰ টোপোলটো হাতত লৈ, ছিদাম লৰালৰিকৈ আন এফালে বহিলগৈ।

নগৰৰ সীমা পাৰ হৈ গাড়ীখন খেতি-

অৰুণ বৰঠাকুৰ

পথাৰৰ মাজেদি গৈ থাকোঁতে আন দুজনমান গাড়ীত উঠি বহিল। এই দুজনৰ মাজত এজন হ'ল পাঠশালাৰ পণ্ডিত ৰাম আচাৰ্য্য। তেওঁ কাপোৰৰ দোকানীৰ পাওনা পৰিশোধ কৰিবলৈ নগৰলৈ গৈছিল। কিন্তু টকা কম হ'ল। তেতিয়া নগৰৰ আন এজন চিনাকি মানুহৰপৰা ধাৰলৈ লৈ দোকানীক দিলে।

*

আন মানুহজন আছিল এনে বনুৱা। মাহেকত এবাৰকৈ নগৰলৈ যায়, আৰু ঘৰুৱা বস্তু-বাহানি নগৰৰপৰা কিনি আনেগৈ। সিদিনা সেই কাৰণেহে গৈছিল।

ধৰ্মদাসে এই কথাত ভালেই পালে। দূৰৰ বাট, অকলশৰে যোৱাতকৈ চাৰিজন-মান লগত থকাত ভালেই পোৱা হ'ল সি। তাৰ পাছত গাড়ীখনে গাঁৱৰ বাট ল'লে, আৰু গাঁও পাই সকলো ঘৰাঘৰি গ'লগৈ।

*

পাছদিনা, গাড়ীখন চাফা কৰিবলৈ ধৰোঁতে, ধৰ্মদাসে গাড়ীত এটা মোহৰ দেখা পালে। তাৰ পাছত ভালেমান মোহৰ পৰি থকা দেখি ধৰ্মদাসে ঘামিবলৈ ধৰিলে। ধৰ্মদাসে সেই মোহৰখিনি গন্তি কৰি চালে—সৰ্বমুঠ আশীটা মোহৰ।

*

ধৰ্মদাস আছিল সৎ মানুহ। মোহৰ-বিলাক মোহৰৰ প্ৰকৃত গৰাকীক ওভোতাই

দিবলৈ সি ভাবি থাকিল যে—সেই চাৰিজনৰ মাজত মোহৰৰ মালিক কোন হ'ব পাৰে। সি ভাবিলেঃ সুধিলেই বিপদ। সুধিলে চাৰিওজনেই ,মোহৰখিনি মোৰ' বুলি ক'ব। আৰু এইদৰে সাতে-সোতৰই ভাবি ভাবি ধৰ্মদাস গাড়ীখন লৈ ওলাল। দিনটো ভাবোঁতে-গুণোতেই গ'ল। আৰু পাছদিনা, মোহৰখিনি টোপোলা এটাত বান্ধি লৈ, পোনে পোনেই ধৰ্মদাস নন্দৰ ঘৰলৈ ওলালগৈ।

*

নন্দ তেতিয়া তাৰ ঘৰৰ বাৰান্দাত বহি আছিল। ধৰ্মদাসে নন্দক ক'লে, “নন্দভায়া, মোৰ গাড়ীত কিছুমান মোহৰ পালোঁ। কিন্তু মোহৰৰ প্ৰকৃত মালিকককহে মই মোহৰখিনি দিম। সৰ্বমুঠ কিমান মোহৰ আছে ক'ব পাৰিলেহে দিম।”

নন্দই ধৰ্মদাসক অলপ বহি থাকিবলৈ কৈ ঘৰৰ ভিতৰলৈ গ'ল আৰু পুনৰ আহি ধৰ্মদাসক ক'লে, “ধৰ্মকাই, মোহৰ যদি আশীটা—তেনেহ'লে নিশ্চয় মোৰ।”

“ঠিকেই কৈছাহে নন্দভায়া, আশীটা মোহৰেই আছে।” ধৰ্মদাসে ক'লে।

নন্দই ক'লে, “সিদিনা যিটো মোনাৰ ভিতৰত মোহৰখিনি ভৰাই লৈ আহিছিলোঁ মোনাটো আছিল ফুটা। বাৰু ধৰ্মকাই, মোহৰখিনি মোৰেই হ'ব পাৰে বুলি তোমাৰ সন্দেহ হৈছিলনে?”

ধৰ্মদাসে মিচিক কৰে হাঁহি মাৰি ক'লে, “এইখিনি যে তোমাৰেই—সেই কথাত মোৰ সন্দেহ নাছিল। কালি গোটেই দিনটো ধৰি ভাবিছোঁ আৰু ভাবিছোঁ যে—মোহৰখিনি কাৰ হ'ব চাৰিজনৰ মাজত। ছিদামৰ তো হ'ব্বই নোৱাৰে, কিয়নো টকা তাৰ বুকুৰ মঙহ, প্ৰাণ যাব পইচা নেৰিব সি। সি যিমান সময় গাড়ীত বহি আছিল, টকাৰ টোপোলাটো খামুচি ধৰি আছিল।” কথাটো কৈ ধৰ্মদাসে হাঁহি উঠিল।

নন্দয়ো হাঁহি উঠি ক'লে, "এৰা, ময়ো লক্ষ্য নকৰাকৈ কথাটো নাছিলোঁ।"

"তাৰ পাছত ধৰা—হজুৰা-বনুৰা এটাই ইমান মোহৰ ক'ৰপৰা পাব। বাকী থাকিল পাঠশালাৰ পণ্ডিত। কাপোৰৰ দোকানীৰ টকা দিবলৈ নগৰলৈ গৈছিল তেওঁ, টকা কম পৰিল, নগৰতে চিনাকি মানুহ এজনৰপৰ টকা ধাৰলৈ আনি কাপোৰৰ দোকানীক পৰিশোধ কৰিলে তেওঁ। তেওঁনো ইমান মোহৰ পাব ক'ৰপৰা? অসম্ভৱ, আৰু—পাঠশালাৰ পণ্ডিতে ইমান মোহৰ পাব কৰ'পৰা? কালি গোটেই দিন ধৰি বাৰে বাৰে ভাবিছোঁ আৰু ভাবিছোঁ—কাৰ তেন্তে?

কাৰ—কাৰ—কাৰ?

আৰু পাছত মনত পৰিল তোমাৰ কথা। তুমি পাওন আদায়-উছুল কৰি নগৰৰপৰা আহি আছিলা। তেতিয়া ক'ত কি হ'ল সিমানকৈ চোৰা-চিঁতা কৰাৰ সময় ক'ত? আৰু—আটাইতকৈ ডাঙৰ কথা হ'ল যে—মোক নোসোধাকৈয়েই তুমি ক'ব পাৰিলা যে তোমাৰ কিমান মোহৰ হেৰাল।" এই বুলি কৈ ধৰ্মকাস অলপ ৰ'ল আৰু তাৰ পাছত পুনৰ ক'লে, "হোঁ, লোৱা, এয়া তোমাৰ হেৰোৱা মোহৰ।" আটাইখিনি মোহৰ ভালকৈ গন্তি কৰি লোৱা।

*

ধৰ্মদাসৰ এনে বিচাৰ-বিশ্লেষণ কৰাৰ ক্ষমতালৈ লক্ষ্য কৰি আৰু তাৰ সততাৰে মুগ্ধ হৈ সেই আশীটা মোহৰ নন্দই ধৰ্মদাসক দিলে আৰু ক'লে, "ধৰ্মকাই, মোৰ অনুৰোধ ৰক্ষা কৰিবা আৰু নলওঁ বুলি নক'বা। এয়া মোৰ দান নহয়, তোমাৰ সততাৰ প্ৰাপ্য পুৰস্কাৰ। এইখিনি, এই মোহৰখিনি প্ৰকৃততেই তোমাৰ, তুমি লৈ যোৱা।"

ধৰ্মদাসে অবাক হৈ অপলক দৃষ্টিৰে নন্দৰ মুখলৈ চাই ৰ'ল।



ভাগ্য-দুৰ্ভাগ্য

কোনোবা এখন গাঁৱত দুজন ভাই-ককাই আছিল। ডাঙৰজন ৰমেন ভাগ্যৱান, আৰু সৰুজন যোগেন ভাগ্যহীন।

মাজে-মধ্যে ডাঙৰে সৰুক ইটো-সিটো কাম কৰিবলৈ দিছিল, তাৰ দাৰিদ্র্য কিঞ্চিত পৰিমাণে গুচাবলৈ চেষ্টা কৰিছিল। এবাৰ, পথাৰৰ ধান কটা হ'ল; কিন্তু কটা ধান পথাৰতে থাকিল। ডাঙৰে পথাৰৰ ধান পৰ দিবলৈ সৰুক দায়িত্ব দিলে। মাজনিশা যোগেনে ধকধক কৰে বগা সাজ, পাৰ পিন্ধা এক নাৰীমূৰ্তি ধান পথাৰত ঘূৰি ফুৰা দেখা পাই নাৰীমূৰ্তিক সুধিলে, "আই, তুমিনো কোন? এনে দুপৰ নিশা পথাৰত কিয়নো ঘূৰি ফুৰিছা?"

"মই তোমাৰ ককায়েৰাৰ ভাগ্যদেৱী। সৰি পৰা ধানখিনি খেৰৰ লগত পুনৰ লগাই দিছোঁ।" নাৰীমূৰ্তিয়ে ক'লে।

"তুমি ককাইদেউৰ ভাগ্যদেৱী? মোৰ ভাগ্যদেৱী ক'ত আছে?" যোগেনে সুধিলে।

"সৌ—দখিণদিশৰ পাহাৰৰ সিপাৰতে আছে।" এই বুলি কৈ, তাই অদৃশ্য হ'ল।

দখিণদিশৰ পাহাৰৰ সিপাৰলৈ যোৱাৰ বাবে যো-জা কৰিলে যোগেনে। আৰু ৰাতিও পুৱাল, সিও ওলাল। কিন্তু লগে লগে চৌকাৰ পিছফালৰপৰা উঠি আহি দাৰিদ্র্যদেৱীয়ে কান্দি কান্দি ক'লে, "মোকো তোমাৰ লগত লৈ ব'লা।"

দাৰিদ্র্যদেৱীক বটল এটাৰ ভিতৰত সুমুৱাই লৈ যোগেনে ঠিলা মাৰি দিলে, আৰু অলপদূৰ আগুৱাই গৈ জাবৰ-জোথৰৰ দ'মত দাৰিদ্রদেৱীক দলিয়াই পেলালে।

দক্ষিণদিশৰ পাহাৰৰ সিপাৰ গৈ

'ভৃগুনাথ'

পোৱাৰ লগে লগে এগৰাকী বিৰাট ধনী মানুহে যোগেনক নিযুক্ত কৰিলে এক অভিনৱ কামত। মানুহজনে যোগেনক ক'লে, "মই তোমাক মাটি এডোখৰ দেখুৱাই দিম, সেই মাটি তুমি খান্দি থাকিবা ; মাটি খন্দাৰ বাবে কোনো দৰমহা নোপোৱা, কথাটো মনত ৰাখিবা। পিছে—সেই মাটি খান্দি তুমি যিহকে নোপোৱা, তোমাৰ। মোক একো দিব নালাগে। ইচ্ছা হ'লে—এই কাম কৰা।"

যোগেনে এই প্ৰস্তাৱ মানি ল'লে। বহুপৰলৈকে মাটি খান্দি খান্দি যোগেনে মাটিৰ তলত এচেঁকুৰা সোণ পালে। যোগেনে ধনী মানুহজনক সোণৰ চেঁকুৰাটো দিয়াত তেওঁ ক'লে, "এয়া তোমাৰ। মোক একো দিব নালাগে।"

কিন্তু যোগেনে ধনী মানুহজনক আধা ভাগ দিলে। তাৰ পাছত পুনৰ মাটি খান্দি যোগেনে চন্দুক এটা পালে। এই চন্দুকত আছিল মণি-মুকুতাৰে বন কৰা সোণৰ, হীৰাৰ অলংকাৰ। চন্দুকৰ ভিতৰত এটা সৰু টেমা আছিল। এই টেমাটোৰপৰা শব্দ উঠিল ঃ 'মোক খুলি চোৱাঁ, মোক খুলি চোৱাঁ।"

যোগেনে টেমাটো খুলি দিয়াৰ লগে লগে সি ধকধক কৰে বগা পোছাক পিন্ধা এগৰাকী নাৰীমূৰ্তি ওলাই আহিল।

বিস্মিত যোগেনে নাৰীমূৰ্তিক সুধিলে, "তুমি কোন ?"

"মই তোমাৰ ভাগ্যদেৱী। এতিয়াৰপৰা মই তোমাৰ লগত থাকিম আৰু তোমাৰ যাতে মংগল হয় তাৰ বাবে চেষ্টা কৰিম।" এই বুলি কৈয়েই সেই ভাগ্যদেৱী অদৃশ্য হ'ল।

চন্দুকৰ ৰত্নালংকাৰ যোগেনে ধনী মানুহজনকো আধাখিনি দিলে। ইমান ৰত্ন আৰু অলংকাৰ ভগাই নিদিয়াকৈ সি মনত শান্তি নোপোৱা হৈছিল।

তাৰ পাছত যোগেনৰ দোপত দোপে

উন্নতি হৈ থাকিল। যোগেনে এক বিৰাট অট্টালিকা সাজিলে। কিন্তু যোগেনে দুখীয়া মানুহসকলকো পহৰি নাথাকিল। যোগেনে সদায় দুখীয়াক সহায় কৰিছিল।

বহুদিনৰ পাছত এদিন ককায়েক ৰমেন ভায়েক যোগেনৰ ঘৰলৈ আহিল। ভায়েকক ইমান ধন, ঐশ্বৰ্য্যৰ মাজত থকা দেখি বিস্মিত ককায়েকে যোগেনৰ ভাগ্য-পৰিৱৰ্তনৰ কথা খৰচি মাৰি জানি ল'লে।

শুনি ককায়েকৰ মন ঈৰ্ষাৰে ভৰি পৰিল। ককায়েকে ভায়েকৰ গাত পুনৰ দাৰিদ্ৰ্যদেৱীয়ে লম্ভাটোকেহে বিচাৰে। অন্যান্য কথাৰ মাজত দাৰিদ্ৰ্যদেৱীৰ কথাটোও যোগেনে তাৰ ককায়েকক কৈছিল। ককায়েক ৰমেনে দাৰিদ্ৰ্যদেৱীক বিচাৰি বিচাৰি সেই ঠাই পালেগৈ, যিঠাইত বটলৰ ভিতৰত ভৰোৱা দাৰিদ্ৰ্য-দেৱীক যোগেনে দলিয়াই পেলাইছিল। ককায়েক ৰমেনে বটলটো বিচাৰি উলিয়াই বটলটোৰ ঠিলা খুলি পেলালে।

লগে লগে দাৰিদ্ৰ্যদেৱী বটলৰপৰা ওলাই আহি ককায়েক ৰমেনক সাৱটি ধৰি ক'লে, "তুমি বটলৰপৰা উলিয়াই আনি মোৰ যি কি উপকাৰ কৰিলা, তাৰ বাবে মই তোমাক আৰু এৰি নাযাওঁ।"

ককায়েক ৰমেনে দাৰিদ্ৰ্যদেৱীক পুনৰ বটলৰ ভিতৰত ভৰোৱাৰ চেষ্টা আপ্ৰাণ কৰিলে; কিন্তু একোপধ্যেই সম্ভৱ নহ'ল। ককায়েক ৰমেনে মনত দুখৰ গধুৰ বোজাৰে ঘৰলৈ গৈয়েই আৰ্তনাদ কৰি উঠিল। তিমানতে তাৰ ঘৰ-দুৱাৰ জুই লাগি পুৰি ভস্ম হ'ল, গাই-হাঁহ-কুকুৰাবোৰ মৰি গ'ল; একে নিশাৰ ভিতৰতে সি দুখীয়াৰো দুখীয়া হৈ পৰিল।

ৰমেনে তাৰ দুৰ্ভাগ্যৰ মৰ্মন্তুদ দৃশ্য দেখি যেতিয়া হিয়া ঢাকুৰি কান্দি আছিল, দাৰিদ্ৰ্যদেৱীয়ে তাইৰ সাফল্যৰ গৰ্বেৰে মিচিকমাচাককৈ হাঁহি আছিল।



ঠাৰিয়ে ধৰিলে চুৰি

মঞ্চগ্ৰাম নামৰ এখন গাঁও আছিল। এইখন গাঁৱত ভৰৰাম নামৰ এজন খেতিয়ক আছিল খেতি-বাতিৰ কামত অতি দক্ষ। নিচেই কম মাটিত কেনেকৈ বাৰে বাৰে বিধোবিধ শাক-পাচলিৰ খেতি কৰিব পাৰি, সি সেই কৌশল জানিছিল।

ভৰৰামে যেতিয়াই যি খেতি কৰিছিল, সেই খেতিৰ প্ৰতি এক অকৃত্ৰিম আকৰ্ষণ অনুভৱ কৰিছিল। সি তাৰ খেতি-পথাৰত ওপজা প্ৰতিটি বস্তুক ইমানেই ভাল পাইছিল যে—সেইবিলাকৰ এটা এটাকৈ নামকৰণ কৰিছিল। এবাৰ তাৰ খেতিত প্ৰচুৰ ৰঙালাও হ'ল; ভৰৰামে প্ৰতিটো ৰঙালাওৰ বেলেগে নামকৰণ কৰিলে।

এইখন গাঁৱতেই গদাধৰ নামৰ আন এজন খেতিয়ক আছিল। গদাধৰৰ খেতি-পথাৰ ভৰৰামৰ খেতি-পথাৰতকৈ ঢেৰ ডাঙৰ। গদাধৰে সদায় ধন আৰ্জনৰ কথাটোহে ভাবিছিল; কিন্তু তাৰ খেতি পথাৰ ডাঙৰ হোৱা সত্বেও সি ভৰৰামতকৈ অধিক টকা-পইচা নাপাইছিল।

এদিন গদাধৰক তাৰ চিনাকি এজনে ক'লে, "গদাধৰ, তুমি পঢ়া-লিখা জনা মানুহ, ভৰৰামে তো 'ক'টোৰ কেইটাচুক তাকো নাজানে। কিন্তু পঢ়া-লিখা জনাটো হৈয়ো তুমি খেতি-বাতিৰ কামত ভৰ-ৰামতকৈ পিছ পৰি আছা কিয়?"

এই বছৰ ভৰৰামৰ খেতিত ৰঙা লাও অবিলবিলীয়া হ'ল আৰু আকাৰতো হ'ল বিৰাট। ইমান বিৰাট আকাৰৰ ৰঙালাও সেই অঞ্চলত কোনেও কাহানিও দেখা নাছিল। ভৰৰামৰ প্ৰশংসাত সকলোটি

পঞ্চমুখ। ভৰৰামে প্ৰতিটো ৰঙালাওৰ এটাকৈ নামকৰণ কৰিলেঃ মহালক্ষ্মী, নয়নতৰা, সোণপেহী ইত্যাদি।

পাছদিনা কাক কাক লৈ—অৰ্থাৎ কোন কেইটা ৰঙালাও লৈ হাটলৈ যাব ঠিকঠাক কৰি ভৰৰামে শুলেগৈ। কিন্তু সেই কথা ভাবি ভাবি হঠাৎ তাৰ ভাৱ হ'ল যেনিবা তাৰ অতিকে মৰমৰ ছোৱালীহঁতক শহুৰেকৰ ঘৰলৈহে পঠাব ধৰিছে সি!

যি কি নহওক, ৰাতিও পুৱাল, আৰু ৰঙালাওবিলাক আনিবলৈ ভৰৰাম খেতি-পথাৰলৈ গ'ল। আৰু—গৈয়েই চকু থৰ! তাৰ মূৰত যেনিবা বজ্ৰাঘাত পৰিল! প্ৰতিটো ৰঙালাও কোনোবাই কাটি লৈ গ'ল! ভৰৰাম হায় হায় কৰি উঠিল। সি কান্দিবলৈ ধৰিলে।

তাৰ পাছত, যেতিয়া অলপ শান্ত হল, তেতিয়া ভৰৰামে ভাবিলেঃ ইমানবোৰ ৰঙালাও চুৰি কৰি চোৰ পলাব কেনি? যেৱেই চুৰি নকৰক—বেচিব, আৰু বেচিবলৈ হ'লে হাটলৈ যাব লাগিব। গতিকে—ময়ো হাটলৈ যাম।

যেন ভবা তেন কাম, তাৰ নাম ভৰৰাম। হাটলৈ গৈ, হাটৰ প্ৰতিখন দোকান সি ঘূৰি-পকি চাবলৈ ধৰিলে; এখন দোকানত ভৰৰামে অসংখ্য ৰঙালাও দ'মাই থোৱা দেখি দোকানীক ক'লেগৈ, "কথানো কি? মোৰ খেতি-পথাৰৰপৰা

ৰঙালাওবোৰ চুৰি কৰি আনি বেচিবলৈ তোমাৰ লাজ লগা নাইনে ?”

দোকানীয়ে অবাক মানি ক'লে, “এই এই ৰঙালাওবোৰ তোমাৰ গাঁৱৰে গদাধৰে দহ টকাৰে বেচি গুচি গ'ল দেখোন !”

কাষতে থিয় হৈ থকা এজনে কৈ উঠিল, “ওঁ, অলপমান আগতে গদাধৰক সৌখিনিত ঘূৰি ফুৰা দেখিছিলোঁ মই। এতিয়াও হাটতে আছে হ'ব পায় !”

ভৰৰামে হাটৰ অধিকৰ্তাক কথাটো ক'লেগৈ। সকলো কথা শুনাৰ পাছত অধিকৰ্তাই গদাধৰক মতাই লৈ আহিল। তাৰ পাছত অধিকৰ্তাই ভৰৰামক সুধিলে, “সেই দোকানত থকা ৰঙালওবিলাক তোমাৰেই বুলি তুমি জানিলা কেনেকৈ ?” অধিকৰ্তাই ভৰৰামক সেই দোকানলৈ লৈ গ'ল। ভৰৰামে দোকানত থকা একোটাকৈ ৰঙালাওক মহালক্ষ্মী, সোণপেহী, কদম্ব, তৰুলতা নয়নতৰা আদি নামেৰে দোকানৰ-পৰা উলিয়াই আনি দেখুৱাবলৈ ধৰিলে।

দোকানৰ আগত কিছুমান মানুহ গোট খাইছিলহি। সিহঁতে কাণ্ড দেখি প্ৰচণ্ডভাৱে হাঁহি থাকিল। অধিকৰ্তাই ভৰৰামক ক'লে, “বাৰু, তুমি যেনিবা তোমাৰ নয়নতৰা, সোণপেহীহঁতক চিনিব পাৰিছাই। কিন্তু—এইবোৰেই যে সেই-বোৰ তাৰ প্ৰমাণ কি ?”

এই কথাৰ কি উত্তৰ দিব—ভৰৰামে



ভাবি উলিয়াব নোৱাৰিলে।

অধিকৰ্তাই গদাধৰক সুধিলে, “গদাধৰ, তোমাৰনো বক্তব্য কি?”

গদাধৰে নম্ৰভাৱে ক'লে, “ভৰৰাম মানুহজন খুব ভাল। কিন্তু মোক যে কিয় চুৰিৰ অপবাদ দিলে, তাকেহে বুজা নাই। যি কি নহওক—মোৰ ওচৰত এখন বহী আছে, আৰু—আৰু সেই বহীত লিখা আছে যে খেতিপথাৰৰ পৰা কি কি বুটলি আনিলোঁ, কোন বস্তু কিমানত বেচিলোঁ—এইবোৰ কথা। যদি কয়—বহীখন লৈ আহিব পাৰোঁগৈ।”

“মোৰ ওচৰতো প্ৰমাণ নথকা নহয়। সেই প্ৰমাণ চালে সকলোটিয়েই ফট-ফটীয়াকৈ বুজি পাব যে এই ৰঙালাও-বিলাক কাৰ।” ভৰৰামে ক'লে।

অধিকৰ্তাই দুয়োকো নিজ নিজ প্ৰমাণ হাজিৰ কৰিবলৈ ক'লে।

দুয়ো তেতিয়া ঘৰলৈ গ'ল। আৰু অলপ পাছত দুয়ো পুনৰ হাটলৈ আহিল। গদাধৰে তাৰ হিচাপৰ বহীখন লৈ আহিল, আৰু ভৰৰামে তাৰ চুৰীয়াত বান্ধি কিবা যেন লৈ আহিল।

গদাধৰৰ বহীত লিখা আছিল ঃ ‘আজি চল্লিছটা ৰঙালাও হাটলৈ লৈ ওলালোঁ’।

অধিকৰ্তাই ভৰৰামক ক'লে, “তোমাৰ প্ৰমাণ কি আছে, চাওঁচোন?”

ভৰৰামে চুৰীয়াত বান্ধি লৈ অহা ৰঙালাওৰ ঠাৰি চল্লিছটা উলিয়াই ৰঙা-লাওবিলাক কাটি নিয়া ঠাইত খাপে খাপে লগাই দিয়াত তাত উপস্থিত থকা মানুহ খিনিয়ে ভৰৰামৰ প্ৰমাণকে মানি ল'লে। অধিকৰ্তাই গদাধৰলৈ ৰঙা চকু মেলি ঘূৰি চালে, আৰু গদাধৰে বাধ্যত পৰি ৰঙালাওবিলাকৰ ন্যায্য দাম ভৰৰামক শোধাই দিলে।

তেতিয়াৰপৰা গদাধৰক ৰাইজে ‘লাও-চোৰ’ বুলি কৈছিল।



খনক

চিকা এটাই এৰাতিৰ ভিতৰত ১৪০ হাত [৬৪ মি.] দীঘল সুৰংগ খান্দি উলিয়াব পাৰে।

লাহতী ফুল

পুৱা ৰাইমণ্ডি নামৰ বিৰল ফুল বলিভিয়াত আছে। এই ফুলৰ গছত ১৫০ বছৰত এটি ফুল ফুলে আৰু তাৰ পাছত গছজোপা মৰি যায়। এই লাহে লাহে ফুলা ফুলৰ উচ্চতা ৩৫ ফুট [১০.৭ মিটাৰ] আৰু ব্যাস ৮ ফুট [২.৪ মিটাৰ]।



উৰণীয়া সাপ

এছিয়াৰ এজাতি উৰণীয়া সাপে তাৰ দেহটোক ঘূৰণীয়াকৈ পকাই হঠাৎ নিজক নিজেই শূন্যলৈ দলিয়াই দিয়ে। ই এক মিটাৰতকৈয়ো অধিক [১.০৯৩৬ গজ] উৰা মাৰি ওপৰলৈ উঠিব পাৰে।

দিনটো আৰম্ভ হওক মুখত সজীৱ আমেজ লৈ মুখত!

পিপাৰমেন্ট আৰু স্পিয়াৰমেন্টৰ সতেজ সজীৱ আমেজ। বঢ়িয়া ফৰ্মূলাৰ নিমিষতে বিয়পি পৰা ফেনেৰে দাঁত চিকচিকীয়াকৈ পৰিষ্কাৰ কৰে, নিশ্বাসত স্নিগ্ধ সুগন্ধ।

নতুন পণ্ডচ টুথপেষ্টৰে দাঁত ঘঁহিবলৈ অকণো আমনি নালাগে, বৰং ভালহে লাগে।

চাব, সৰু সৰু ল'ৰা-ছোৱালীয়ে এই টুথপেষ্টৰে দাঁত ঘঁহিবলৈ বৰ ভাল পাব।

আজিয়েই নতুন পণ্ডচ টুথপেষ্ট কিনক। আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা হৈ উঠক সুন্দৰ, সাৰ্থক।

বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...

... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা চাফা কৰি দি দাঁত শুভ্ৰ আৰু চিকমিকীয়া কৰি তোলে

নতুন

পণ্ডচ

টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

OBM 9795 ASS

ফটো-নামকৰণ প্ৰতিযোগিতা ঃ ঃ পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ নৱেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব ঃ

ঠিকনা ঃ **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ ছেপ্‌টেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল ঃ

প্ৰথম ফটো ঃ খেল
দ্বিতীয় ফটো ঃ মেল

পুৰস্কাৰ পাওঁতা ঃ পাপু সোণোৱাল, নতুন খলিহামাৰি, ডিব্ৰুগড়।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব ঃ

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026
OR
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিৱেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন

চকোলেটৰ মজা ভৰা সকলোৰে মন হৰা!
nutrine
Chocolate Eclairs
more milk
more butter
more chocolate
nutrine Eclairs
কেৰামেল খোলাৰে ঢকা,
মাজত চকোলেট
nutrine Eclairs
চুইটে প্ৰতি, দুগুণ তৃপ্তি
nutrine
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চুইট
নিউট্ৰিন কনফেকশানেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ.
CLARION/NC/